সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,০৮ সংখ্যা, ১০ ফাগুন , ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 08 Date of Publication- 23 February 2025 Rs. 10.00/-

## গ্ৰেপ্তাৰ ইউএছটিএমৰ আচাৰ্য মহবুবুল হক



ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষাক বজাৰলৈ পৰিণত কৰাৰ অভিযোগত ইউ এছ টি এমৰ আচাৰ্য তথা স্বত্বাধিকাৰী মহবুবুল হকক গ্ৰেপ্তাৰ। অসম আৰক্ষী আৰু এছটিএফে যুটীয়াভাৱে অভিযান চলাই গুৱাহাটীৰ ঘোঁৰামাৰাত থকা বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰে ইআৰডি ফাউণ্ডেচনৰ স্বত্বাধিকাৰী তথা ইউএছটিএমৰ আচাৰ্য মহবুবুল হকক। উল্লেখ্য যে চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা সম্প্ৰতি ৰাজ্যৰ বিভিন্ন কেন্দ্ৰত চলি আছে। তেনে এটা কেন্দ্ৰই হ'ল শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত থকা ইআৰডিএফ ফাউণ্ডেচনৰ চেণ্ট্ৰেল পাব্লিক স্কুল। পৰীক্ষা চলি থকাৰ সময়তে অসৎ পন্থা লোৱাৰ সুবিধা নিদিয়াক লৈ একপ্ৰকাৰ ৰণক্ষেত্ৰত পৰিণত হয় পৰীক্ষা কেন্দ্ৰটো। একাংশ শিক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰটোত ধনৰ বিনিময়ত পৰীক্ষাত উত্তীৰ্ণ কৰোৱাৰ অসৎ পন্থা অৱলম্বন কৰাৰ অভিযোগ তোলে বিদ্যালয়খনৰ বিৰুদ্ধে। আনদিনাৰ দৰে শুকুৰবাৰেও কেন্দ্ৰটোত চলি আছিল দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞানৰ পৰীক্ষা। সেই সময়তে কেন্দ্ৰটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি একাংশ ছাত্ৰ-ছাত্ৰীয়ে স্থানীয় কিছুসংখ্যক শিক্ষাৰ্থীয়ে ম'বাইল ফোন ভিতৰলৈ নি তাৰ পৰা চাই উত্তৰ লিখি থকাৰ গুৰুতৰ অভিযোগ তোলে। তেওঁলোকৰ অভিযোগ মতে, মেঘালয়ৰ খানাপাৰাত অৱস্থিত ইউএছটিএমত তেওঁলোকে ৫ লাখ টকাৰ বিনিময়ত বিশেষ এটি সুবিধা লাভৰ কাৰণে নামভৰ্তি কৰিছিল। বহুদিন ধৰি তাত ক্লাছ কৰাৰ পাছত ২১৪গৰাকী ছাত্ৰ-ছাত্ৰীক তাৰ পৰা শ্ৰীভূমিৰ চেণ্ট্ৰেল পাব্লিক স্কুললৈ পৰীক্ষা দিবলৈ পঠিওৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে অভিযোগ কৰা মতে, পৰীক্ষাৰ সময়ছোৱাত তেওঁলোকক ৩০ নম্বৰৰ এমচিকিউ(MCQ)ৰ উত্তৰ অসৎ উপায়েৰে লিখিবলৈ সুযোগ দিয়া হ'ব। কিন্তু পৰীক্ষাৰ সময়ত স্থানীয় ৪৫গৰাকী পৰীক্ষাৰ্থীক কৰ্তৃপক্ষই সহায় কৰাৰ বিপৰীতে বহিঃজিলাৰ প্ৰাৰ্থীসকলক কোনোধৰণৰ সুযোগ দিয়া হোৱা নাই বুলি অভিযোগ তোলে। ছাত্ৰ-ছাত্ৰীসকলে ক্ষোভেৰে কয় যে যদিহে বেলেগ কিবা সুবিধা দিবলৈ নাছিল, তেন্তে কি কাৰণত

( নপৃষ্ঠাত চাওক)

## চাংসাৰীত কেম্পা বটলিং প্লান্ট উদ্বোধন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰিলায়েঞ্চ গ্ৰুপৰ প্ৰতিষ্ঠান ৰিলায়েঞ্চ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ৰাজ্যখনৰ স্থানীয় প্ৰতিষ্ঠান জেৰিকো ফুডছ আৰু বিভাৰেজৰ সহযোগত গুৱাহাটীৰ নিকটৱৰ্তী চাংসাৰিত স্থাপন কৰা নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আজিৰ দিনটো ৰাজ্যখনৰ বাবে এটি সুন্দৰ দিন। ৰিলায়েঞ্চ গ্ৰুপৰ প্ৰতিষ্ঠান ৰিলায়েঞ্চ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ৰাজ্যখনৰ স্থানীয় প্ৰতিষ্ঠান জেৰিকো ফুডছ আৰু বিভাৰেজৰ সহযোগত অসমত স্থাপন কৰা নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টটোৰ উৎপাদনৰ কাম আজিৰে পৰা আৰম্ভ হ'ল। এই উদ্যোগটোৱে অতি সুন্দৰভাৱে কেম্পা কোলা আৰু ইয়াৰ লগত জড়িত প্ৰডাক্টসমূহ উৎপাদন কৰি লাহে লাহে আগবাঢ়ি যাবলৈ সক্ষম হ'ব। ৰিলায়েঞ্চ গ্ৰুপৰ দৰে এটা বৃহৎ প্ৰতিষ্ঠানে অসমত উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি অহাটো ৰাজ্যখনৰ বাবে এক আনন্দৰ কথা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰায় ২৫০ কোটি টকা ব্যয়েৰে আৰম্ভ কৰা এই প্ৰকল্পটোৱে প্ৰায় ৩০০

( নপৃষ্ঠাত চাওক)

## আজি ডুবাইত ভাৰত-পাকিস্তানৰ হাইভল্টেজ মেচ






ৰঙিলী বাৰ্ত্তাসেৱা- দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্ত। চেম্পিয়নছ ট্ৰফীত আজি ভাৰত আৰু পাকিস্তানৰ হাইভল্টেজ মেচ। দিনৰ ২.৩০ বজাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব এই হাইভল্টেজ মেচখন ।এই মেচখনক লৈ ইতিমধ্যে আৰম্ভ হৈছে নানা জল্পনা-কল্পনা। অৱশ্যে মেচখনক লৈ দুয়োটা দলে চাপত থকাটো নিশ্চিত। প্ৰতিযোগিতাখনৰ প্ৰথমখন মেচত বিজয় সাব্যস্ত কৰি আত্মবিশ্বাস তুংগত আছে ভাৰতীয় দলটোৰ। আজি পাকিস্তানক পৰাস্ত কৰিব পাৰিলে ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলটো 'এ' গ্ৰুপৰ পৰা ছেমিফাইনেলত প্ৰৱেশ কৰাটো নিশ্চিত হৈ পৰিব। ইফালে গ্ৰুপৰ প্ৰথমখন মেচত নিউজিলেণ্ডৰ হাতত পৰাস্ত হৈ প্ৰতিযোগিতাখনৰ পৰা বাহিৰ হোৱাৰ শংকাত ভুগিছে আয়োজক পাকিস্তানে। আজি ভাৰতৰ হাতত

( নপৃষ্ঠাত চাওক)

## 'ঝুমইৰ বিনন্দিনী'ত অংশ লোৱা শিল্পীক চৰকাৰে দিব ২৫ হাজাৰকৈ টকা



ৰঙিলী বাৰ্ত্তাসেৱা- চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্বদৰবাৰত জনপ্ৰিয়কৰণৰ লক্ষ্যৰে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব 'ঝুমইৰ বিনন্দিনী' শীৰ্ষক অনুষ্ঠান। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুসজাই ক্ৰীড়া প্ৰকল্পত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে শিল্পীসকলে পৰিৱেশন কৰা ঝুমুৰ নৃত্যৰ আখৰাও প্ৰত্যক্ষ কৰে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৃহৎ কাৰ্যসূচী সন্দৰ্ভত বিশেষ ঘোষণা কৰে। পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি প্ৰায় ৮, ৮০০ পুৰুষ-মহিলাই ঢোল, মাদল, ধমছা আৰু বাঁহী বজাই

( দুই পৃষ্ঠাত চাওক)



# Siliguri Chapter of ICSI Hosts Insightful Seminar on Union Budget 2025 & Income Tax Bill 2025

Guwahati,RB News-The Siliguri Chapter of the Eastern India Regional Council (EIRC) of The Institute of Company Secretaries of India (ICSI) successfully organized a half-day seminar titled Sankalp on the Union Budget 2025 and Income Tax Bill 2025 at its premises. The seminar was inaugurated by CS (Dr.) Pintu Prasad Jaiswal, Chairman of the Siliguri Chapter of EIRC of ICSI, who emphasized the importance of staying updated with contemporary changes in policies and regulations. He highlighted the role of such seminars in fostering knowledge dissemination among professionals and students. Prof. (Dr.) Ranjan Sarkar, Principal of Siliguri College of Commerce, graced the event as the Chief Guest. In his address, he shared valuable insights into the Union Budget 2025 and the Income Tax Bill 2025, discussing their potential impact on businesses, individuals, and the broader economy. The seminar featured expert presentations by CA Savita Jindal from Siliguri and CS Nikhil Israni from Kolkata, who dissected various aspects of the budget and tax bill. Their in-depth analysis offered attendees a clearer perspective on the implications of the new provisions for corporate governance and taxation. Adding to the event's significance, CS Rupanjana De, Central Council Member of ICSI and Mentor of the Siliguri Chapter, and CS Anuj Saraswat, Chairman of EIRC of ICSI, addressed the gathering through an online session. They underscored the pivotal role of company secretaries in driving the nation's economic development and ensuring compliance with evolving regulatory frameworks. The event was meticulously coordinated by CS Pragya Jaiswal and the managing committee members, including CS Nitin Gupta, CS Vikash Mittal, CS Saptasikha Jhampati, and CS Ashleen Kaur were also present. Their efforts ensured the seamless execution of the seminar, which was attended by the members and students. The seminar concluded with a formal vote of thanks delivered by CS Amit Goyal, Secretary of the Siliguri Chapter, who expressed gratitude to the speakers, organizers, and participants for making the event a resounding success.

# মাধ্যমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক গোবিন্দ কুমাৰ তালুকদাৰৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- মাধ্যমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক তথা বিশিষ্ট সমাজকৰ্মী গোবিন্দ কুমাৰ তালুকদাৰৰ পুৱতি নিশা ৫ বজাত দেহাৱসান হয়। মহানগৰীৰ হাতীগাঁৱৰ শংকৰ পথৰ বাসিন্দা তালুকদাৰৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৬ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নী অনিলা তালুকদাৰ, পুত্ৰদ্বয় প্ৰসেনজিৎ তালুকদাৰ আৰু কমলজিৎ তালুকদাৰ, দুই বোৱাৰী জুবি শৰ্মা তালুকদাৰ আৰু অনিন্দিতা তালুকদাৰ, নাতি-নাতিনী উমংগ কাশ্যপ তালুকদাৰ, হৰ্ষিতা তালুকদাৰ আৰু ছিৰাগ কাশ্যপ তালুকদাৰ সমন্বিতে ভালেমান আত্মীয়-স্বজনক এৰি গৈছে। সন্ধিয়া নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। সৰবৰহী গোবিন্দ কুমাৰ তালুকদাৰ বিভিন্ন সামাজিক অনুষ্ঠান, প্ৰতিষ্ঠানৰ সৈতেও ঘনিষ্ঠভাৱে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত হাতীগাঁও সিজুবাৰী ছাত্ৰ সন্থা, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ গুৱাহাটী মহানগৰ সমিতি, বৃহত্তৰ হাতীগাঁও ৰঙালী বিহু উৎসৱ উদযাপন সমিতি, শতদল নৱাৰুণ শাখা সাহিত্য সভা, হাতীগাঁও ৰাজহুৱা নামঘৰ সমিতি, বৃহত্তৰ হাতীগাঁও(নামঘৰ) দুৰ্গা পূজা উদযাপন সমিতি, শংকৰ পথ উন্নয়ন সমিতি, বৃহত্তৰ হাতীগাঁও সাৰ্বজনীন দুৰ্গা পূজা উদযাপন সমিতি, কমন মেন প্ৰভৃতি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# 'ঝুমইৰ বিনন্দিনী'ত অংশ লোৱা শিল্পীক

পৰিৱেশন কৰা সংগীত-নৃত্যৰে সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হোৱা আখৰাই আজি সমগ্ৰ পৰিৱেশ মুখৰ কৰি তোলে। অনুষ্ঠান প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ২৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত প্ৰদৰ্শন সম্পৰ্কে কেইবাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰাৰ লগতে মাষ্টাৰ ট্ৰেইনাৰ্ছকে ধৰি অনুষ্ঠান পৰিৱেশন কৰা পুৰুষ-মহিলা নিৰ্বিশেষে সকলো শিল্পীলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। নৃত্যশিল্পীসকলক তেওঁলোকৰ অনুষ্ঠান পৰিৱেশনত সহায় কৰা বিশেষজ্ঞ দলৰ প্ৰতিজন সদস্যক ৩০ হাজাৰ টকাকৈ প্ৰদান কৰাৰ কথাও মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। তদুপৰি সাংস্কৃতিক সংঘ স্থাপনৰ বাবে ৰাজ্যৰ ৮০০খন চাহ বাগিচালৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে এই ধনৰাশিয়ে সংঘসমূহক চাহ বাগিচা এলেকাৰ চহকী সংস্কৃতিক প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত সহায় কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঝুমুইৰৰ জৰিয়তে অসমে ৰাজ্যৰ চাহ জনগোষ্ঠীৰ চহকী কলা-সংস্কৃতিক উদযাপন কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই 'ঝুমইৰ বিনন্দিনী' অনুষ্ঠানটোক সাফল্যমণ্ডিত কৰি তোলাৰ বাবে অহোপুৰুষাৰ্থ কৰা প্ৰতিগৰাকী শিল্পী, কলা-কুশলীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে অহা ২৩ ফেব্ৰুৱাৰীত অৰ্থাৎ আজি সম্পূৰ্ণ সাজত পৰিৱেশন হ'বলগীয়া চূড়ান্ত আখৰা উপভোগ কৰাৰ বাবে আগ্ৰহী লোকসকলে সৰুসজাই ক্ৰীড়া প্ৰকল্পলৈ আহি সন্ধিয়া ৬ বজাৰ পৰা অনুষ্ঠান উপভোগ কৰিব পাৰিব।

# এডভান্টেজ আচাম ২.০য়ে ৰাজ্যখনলৈ কঢ়িয়াই অনা বিকাশৰ বাৰ্তা জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ দায়িত্ব ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তাসকলৰঃদিলীপ শইকীয়া

ৰঙিলী বাৰ্ত্তাসেৱা- "অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে আয়োজিত কৰা এডভান্টেজ আচাম ২.০ ৰ জৰিয়তে আগন্তুক সময়ত অসমলৈ বিকাশৰ বাৰ্তা কঢ়িয়াই আনিব, আৰু এই বাৰ্তা অসমৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ দায়িত্ব ভাৰতীয় জনতা পাৰ্টীৰ প্ৰত্যেকজন কাৰ্যকৰ্তাৰ।" ৰাজ্যিক বিজেপিৰ মিডিয়া বিভাগ, সামাজিক মাধ্যম কোষ, তথ্য প্ৰযুক্তি কোষ, অৰ্থনীতি কোষ, বাণিজ্যিক কোষ, নীতি আৰু গৱেষণা বিভাগ তথা দলীয় মুখপাত্ৰ আৰু পেনেলিষ্ট সকলৰ সৈতে অনুষ্ঠিত হোৱা সভাত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তাসকলক এই আহ্বান জনায়। প্ৰায় ২ লাখ কোটিতকৈ অধিক বিনিয়োগৰ আশাৰ বতৰা কঢ়িয়াই অনা এডভান্টেজ আচাম ২.০ ত ভাৰতৰ বিভিন্ন স্তৰৰ কেইবাটাও অগ্ৰণী ৰাষ্ট্ৰীয় বাণিজ্যিক সংস্থা,কোম্পানী, আগশাৰীৰ ব্যৱসায়ীৰ লগতে কেইবাটাও আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সংস্থা, বিশিষ্ট ব্যৱসায়ীসকলৰ উপস্থিতিত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগা এডভান্টেজ আচাম ২.০ৰ শুভ উদ্বোধন কৰিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই অনুষ্ঠানৰ পূৰ্ব সন্ধিয়া অৰ্থাৎ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত প্ৰায় ১০ হাজাৰ ঝুমুৰ শিল্পীৰ দ্বাৰা "ঝুমইৰ বিনন্দিনী" অনুষ্ঠানৰো উদ্বোধন কৰিব দেশৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে। এই সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়, অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত হোৱা সভাখনত ৰাজ্যিক সভাপতি গৰাকীয়ে কেউটা বিভাগ আৰু কোষক সক্ৰিয়তাৰে সমগ্ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে ব্যাপকভাৱে জনসাধাৰণৰ মাজলৈ এডভান্টেজ আচাম ২.০ ৰ বিষয়সমূহ লৈ যাবলৈ তৎপৰতা অৱলম্বন কৰিবলৈ আহ্বান জনায়।



আজিৰ সভাত ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱলোচন দাস, দিপ্লুৰঞ্জন শৰ্মা, পুলক গোহাঁই উপস্থিত থকা সভাখনৰ আঁত ধৰে ৰাজ্যিক মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই।

# দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ ৰেখা গুপ্তাৰ



ৰঙিলী বাৰ্তাসেৱা- দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ ল'লে ৰেখা গুপ্তাই । ঐতিহাসিক ৰামলীলা ময়দানত ২৭বছৰৰ মূৰকত বিজেপি চৰকাৰে ল'লে শপত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা কেন্দ্ৰীয় কেবিনেটৰ সদস্য, এনডিএৰ সহযোগী দলৰ মুৰব্বী, বিজেপিশাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু দুই শতাধিক সাংসদৰ উপস্থিতিত দিল্লীৰ চতুৰ্থগৰাকী মহিলা হিচাপে মুখ্যমন্ত্ৰীৰ শপত লয় ৰেখা গুপ্তাই। সুষমা স্বৰাজ, শীলা দীক্ষিত, অতিশীৰ পাছত দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী ৰেখা গুপ্তা। উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই ৰেখা গুপ্তাক শপত আৰু গোপনীয়তাৰ বাক্য পাঠ কৰোৱায় । ৰেখা গুপ্তাক মুখ্যমন্ত্ৰীৰ (দহ পৃষ্ঠাত চাওক)

# ৰকিবুল হুছেইনৰ ওপৰত আক্ৰমণ



ৰঙিলী বাৰ্তাসেৱা- সাংসদ ৰকিবুল হুছেইনৰ ওপৰত দুৰ্বৃত্তৰ আক্ৰমণ। গুণাবাৰীৰ পুঠিখাইতীত অনুষ্ঠিতব্য এখন দলীয় সভাত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ পুত্ৰ তাঞ্জিল হুছেইনৰ ওপৰত ৰূপহীহাট থানাৰ অন্তৰ্গত নতুন বজাৰৰ ৰাজপথত দুৰ্বৃত্তৰ দলে আক্ৰমণ চলায়। তিনিখন মটৰ চাইকেলেৰে পুত্ৰ তাঞ্জিল হুছেইন, দুজন দেহৰক্ষী আৰু আন এজন লোকৰ সৈতে দিনৰ প্ৰায় ২ বজাত নতুন বজাৰত উপস্থিত হওঁতে মুখত ক'লা কাপোৰ বান্ধি অহা ২০-৩০জনীয়া দুৰ্বৃত্তৰ দলটোৱে সাংসদ ৰকিবুল হুছেইনক ক'লা পতাকা প্ৰদৰ্শন কৰি গ'বেক ধ্বনি দিয়ে। ইয়াতে ক্ষান্ত নাথাকি আক্ৰমণকাৰী দলটোৱে সাংসদ ৰকিবুল হুছেইনক প্ৰহাৰ কৰিবলৈ ধৰে। ইয়াৰ মাজতে স্কুটিৰ পৰা বাগৰিও পৰে সাংসগৰাকী। দুৰ্বৃত্তৰ দলটোৰ হাতে হাতে আছিল ক্ৰিকেট বেট, লাঠী। আক্ৰমণৰ পৰা সাৰি নগ'ল সাংসদ ৰকিবুল হুছেইনৰ নিৰাপত্তাৰক্ষীও। সাংসদ ৰকিবুল হুছেইনক সুৰক্ষা দিয়াৰ লগতে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰিছিল যদিও দুৰ্বৃত্তৰ দলে আক্ৰমণৰ লক্ষ্য কৰি লয় নিৰাপত্তাৰক্ষীকো। (দহ পৃষ্ঠাত চাওক)

# মিৰ্জাত অগপৰ কামৰূপ জিলাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা



ৰঙিলী বাৰ্তাসেৱা- "পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান সপ্তাহ। আমাৰ দলে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰণকৌশল হাতত লৈছে। কামৰূপ জিলাৰ ছয়টা বিধানসভা সমষ্টিতেই দলে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত। বৰ্তমানলৈ বিজেপি দলৰ সৈতে মিত্ৰতা সম্পৰ্কত আমাৰ একো আলোচনা হোৱা নাই। অৱশ্যে সন্মানজনক মিত্ৰতাৰ বাবে দুৱাৰ খোলা আছে" যোৱা ১৫ ফেব্ৰুৱাৰীত মিৰ্জাৰ সাতপাৰা দুৰ্গাপূজা প্ৰাংগণত অগপৰ কামৰূপ জিলাৰ এখন বৰ্ধিত (দহ পৃষ্ঠাত চাওক)

# চেম্পিয়নছ ট্ৰফীত জয়েৰে অভিযান আৰম্ভ টীম ইণ্ডিয়াৰ



ৰঙিলী বাৰ্তাসেৱা- চেম্পিয়নছ ট্ৰফীত বিজয়েৰে অভিযান আৰম্ভ কৰিলে টীম ইণ্ডিয়াই। ডুবাইত খেলা প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ৬ উইকেটত পৰাস্ত কৰে। টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ বাংলাদেশে ৪৯.৪ অভাৰত ২২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ৪৬.৩ অভাৰত ৪টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। খেলখনৰ আৰম্ভণিৰ পৰাই নিয়মীয়াভাৱে উইকেট হেৰুৱাই প্ৰবল চাপৰ সন্মুখীন হৈছিল বাংলাদেশ। প্ৰথম অভাৰতে আউট হয় অ'পেনাৰ সৌম্য সৰকাৰ। দ্বিতীয় অভাৰত পেভিলিয়নমুখী হয় অধিনায়ক নাজমুল হুছেইন শান্তো। ৭ অভাৰতে ভাৰতীয় পেচবলাৰে ৩টা উইকেট দখল কৰি বাংলাদেশক প্ৰবল আঘাত হানে। অক্ষৰ পেটেলে নৰমটো অভাৰত দুটা উইকেট দখল কৰে। মাত্ৰ ৩৫ ৰানতে ৫টা উইকেট হেৰুৱাই বিপৰ্যয়ৰ সন্মুখীন হয় বাংলাদেশ। ইয়াৰ পিছতে বাংলাদেশৰ ইনিংছ গঢ়াৰ দায়িত্ব লয় জাকেৰ আৰু হৃদয়ে। জাকেৰে ৬৮ ৰান আৰু ১১৮টা বলত শতৰান অৰ্জন কৰি হৃদয়ে বাংলাদেশক সন্মানজনক স্থিতিত উপনীত (নপৃষ্ঠাত চাওক)

# নিউজিলেণ্ডৰ বিৰুদ্ধে উদ্বোধনী মেচ পৰাস্ত পাকিস্তান



ৰঙিলী বাৰ্তাসেৱা- কৰাচীত অনুষ্ঠিত আইচিচি চেম্পিয়নছ ট্ৰফীৰ উদ্বোধনী মেচতে পৰাস্ত হ'ল ডিফেণ্ডিং চেম্পিয়ন পাকিস্তান। ৰোমাঞ্চকৰ মেচখনত নিউজিলেণ্ডৰ হাতত ঘৰুৱা দলটো ৬০ ৰানত পৰাস্ত হয়। মেচখনত কিৱি দলটোৰ জয়ৰ মূলতে হ'ল উইল ইয়ং আৰু টম লাথামৰ দুৰ্দান্ত শতক। নিউজিলেণ্ডে জয়ৰ বাবে বান্ধি দিয়া ৩২১ ৰানৰ বৃহৎ লক্ষ্য অনুসৰণ কৰিবলৈ আহি বাবৰ আজম আৰু খুছদিল শ্বাহৰ অৰ্ধশতকৰ সহায়ত পাকিস্তানে ৪৭.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৬০ ৰানহে কৰে। বাবৰে ৬৪ আৰু খুছদিলে ৬৯ ৰানৰ অৰিহণা আগবঢ়ায়। ছলমান আঘাই ২৮ বলত ৪২ আৰু ফখৰ জামানে ২৪ ৰান কৰে। অ'পেনাৰ ছাকিলে ৬, অধিনায়ক ৰিজৱানে ৩, টায়াব তাহিৰে ১ আৰু শ্বাহিন শ্বাহ আফ্ৰিদীয়ে ১৪ ৰান কৰে। নিউজিলেণ্ডৰ হৈ উইল অ'ৰুৰকে আৰু মিচেল ছাণ্টনাৰ উভয়ে সৰ্বাধিক তিনিটাকৈ উইকেট লাভ কৰে। (দহ পৃষ্ঠাত চাওক)

# এডভাণ্টেজ আছাম ২.০ক লৈ মুখ্যমন্ত্ৰীৰ সংবাদমেল

ৰঙিলী বাৰ্তাসেৱা- অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনখনৰ সন্দৰ্ভত জনতা ভৱনস্থিত লোকসেৱা ভৱনত এখন সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । সংবাদ মেলখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ২৫ ফেব্ৰুৱাৰীৰ পুৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্মিলনখনৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ, ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পৱিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকিব। অসমৰ দুই উদ্যোগপতি অভিজিৎ বৰুৱা আৰু অনুপম ডেকায়ো ভাষণ প্ৰদান কৰিব। সেইদৰে সেউজ বৈমানিক ইন্ধন, সৌৰশক্তি উৎপাদন কৰা অনিল চালেমি শেঠী, এছআৰৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰশান্ত ৰুয়া, সজ্জন



জিন্দাল, বেদান্ত গ্ৰুপৰ অনিল আগৰৱালা, গৌতম আদানি, মুকেশ ধীৰুভাই আম্বানি, নটৰাজন চন্দ্ৰশেখৰেও ভাষণ দিব। তেওঁলোকৰ বক্তব্যৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাষণ প্ৰদান কৰিব। ইয়াৰ পাছতে হ'বলগীয়া আই ৰে টু বিকশিত অসম ছেমিনাৰখনত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই সম্বোধন কৰিব। এই সন্মিলনত টেলিকম খণ্ডৰ মুৰব্বীসকল উপস্থিত থাকিব। এক্ট-ইষ্ট-এক্ট ফাষ্ট(Act East, Act Fast) সন্মিলনখনত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে সম্বোধন কৰিব। ছেমিকণ্ডাক্টৰৰ ওপৰত হ'বলগীয়া ছেমিনাৰখনত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সম্বোধন কৰিব। হাইড্ৰ' কাৰ্বনৰ ওপৰত হ'বলগীয়া ছেমিনাৰখনত কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে বক্তব্য দিব। পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে ভিডিঅ'যোগে বাৰ্তা দিব। আভ্যন্তৰীণ জলপৰিবহণৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বক্তব্য দিব। ৰপ্তানি সম্পৰ্কীয় ছেমিনাৰখনত (নপৃষ্ঠাত চাওক)

# কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীৰ চৰকাৰী বাসভৱনত হোৱা সাক্ষাৎকালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভান্টেজ আছাম ২.০ সম্পৰ্কত আলোচনাত মিলিত হৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ পৰা পৰামৰ্শ গ্ৰহণ কৰে। আলোচনাকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে এডভান্টেজ আছাম ২.০ৰ সন্মিলন সন্দৰ্ভত কয় যে এই সন্মিলনখনে অসমলৈ কেৱল বৃহৎ বিনিয়োগেই নহয়, ভাৰতৰ বিকাশৰ ইঞ্জিনৰ গ্ল'বেল মেপত অসম বিনিয়োগৰ ক্ষেত্ৰত আকৰ্ষণীয় গন্তব্য স্থানত পৰিণত হ'ব।

# অৱশেষত উমৰাংছুৰ কয়লাখনিৰ পৰা উদ্ধাৰ ৫ শ্ৰমিকৰ মৃতদেহ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিমা হাছাও জিলাৰ উমৰাংছু'ৰ কয়লাখনি পৰা ৫জন শ্ৰমিকৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ। অভিযানকাৰী দলে যোৱা ৬ জানুৱাৰীত আবদ্ধ হৈ শোকাৱহভাৱে মৃত্যুক আঁকোৱালি লোৱা ৫জন শ্ৰমিকৰ উৰলি যোৱা মৃতদেহ গভীৰ সুৰংগৰ পৰা উদ্ধাৰ কৰে। ৪৪ দিন ধৰি চলা অভিযানৰ অন্তত মৃত শ্ৰমিকসকলৰ সন্ধানত অহৰহ ব্যস্ত থকা এছ ডি আৰ এফ, এন ডি আৰ এফ, জি আৰ আৰু সেনা বাহিনীৰ অৰ্দ্ধশতাধিক লোকৰ যৌথ প্ৰচেষ্টাত উদ্ধাৰ হয় মৃতদেহকেইটা। ডিমা হাছাও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰত প্ৰকাশ পোৱা অনুসৰি উদ্ধাৰ হোৱা ৫জন শ্ৰমিকৰ মৃতদেহৰ লগতে এতিয়ালৈকে সৰ্বমুঠ ৯জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। উল্লেখ্য যে প্ৰায় ৩০০ ফুট গভীৰতাত কয়লা খনন কৰি থকাৰ সময়তে হঠাৎ কোৰেৰীটোৰ ভিতৰত পানী জমা হৈ যোৱাৰ ফলত যোৱা ৬ জানুৱাৰীত শ্ৰমিকসকল আবদ্ধ হৈ আছিল। ইয়াৰ পাছৰে পৰা অৰ্থাৎ যোৱা ৭ জানুৱাৰীৰ পৰা উদ্ধাৰকাৰী দলে শ্ৰমিকসকল(দহ পৃষ্ঠাত চাওক)

# বিধানসভাত বিৰোধীয়ে ঋণ লৈ উন্নয়নমূলক কাম কৰিবলৈ কয়, কিন্তু সদনৰ বাহিৰত গৈ ওলোটা খৰ মাৰেঃ পীযূষ হাজৰিকা



ৰঙিলী বাৰ্ত্তাসেৱা- বিধানসভাত বিৰোধীয়ে ঋণ লৈ উন্নয়নমূলক কাম কৰিবলৈ কয়, কিন্তু সদনৰ বাহিৰত গৈ ওলোটা খৰ মাৰে। বিধানসভাৰ বাহিৰত বিৰোধীয়ে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ঋণ লৈ অসম ধ্বংস কৰিলে বুলি আস্ফালন কৰে। এই মন্তব্য মন্ত্ৰী পীযূষ হাজৰিকাৰ। বুধবাৰে বিধানসভাত বিধায়ক অখিল গগৈ আৰু নন্দিতা দাসৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মন্ত্ৰী পীযূষ হাজৰিকাই এইদৰে মন্তব্য কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই অখিল গগৈক ঋণ সম্পৰ্কত ৰাইজক বিপথে পৰিচালিত নকৰিবলৈও আহ্বান জনায়। আনকি দৰিকাৰ কাৰণে যদি বিৰোধীয়ে ঋণ ল'ব দিয়ে তেন্তে সেই কামো মন্ত্ৰীগৰাকীয়ে কৰি দিব বুলি কয়। উল্লেখ্য যে বুধবাৰে বিধানসভাত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে ব্ৰহ্মপুত্ৰ, দিখৌ, দিচাং, দৰিকা আৰু জাঁজী নদীৰ বান সমস্যা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। বিধায়কজনে জিলাখনৰ কেইবাটাও সমস্যা জলসম্পদ বিভাগে সমাধান কৰি দিয়াৰ কথাও সদনত উল্লেখ কৰে। বিধায়কজনে সমষ্টিটোৰ আমগুৰিলৈকে ২৬ কিলোমিটাৰ মথাউৰিৰ ১১ কিলোমিটাৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলতপৰা বুলি উল্লেখ কৰে। বিধায়কজনে ইয়াৰ কাৰণে এছিয়ান ডেভেলপমেন্ট বেংক তথা বিশ্ব বেংকৰ এটা প্ৰজেক্ট দাখিল কৰি থোৱা আছে বুলি উল্লেখ কৰি এই প্ৰজেক্ট যদি হৈ নুঠে, তেন্তে শিৱসাগৰখন বানপানীৰ কবলত পৰিব বুলি কয়। এই প্ৰজেক্টটো বৰ্তমান কি পৰ্যায়ত আছে সেই সন্দৰ্ভত বিধায়ক অখিল গগৈয়ে মন্ত্ৰী পীযূষ হাজৰিকাৰ পৰা জানিবলৈ বিচাৰে। মন্ত্ৰী পীযূষ হাজৰিকাই সদস্য-গৰাকীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ কয় যে সদনত আজি ভূতৰ মুখত ৰাম নাম হৈছে। সদস্যগৰাকীয়ে প্ৰত্যেক দিনাই সংবাদ মেলেই হওক বা ছ'চিয়েল মিডিয়াতেই হওক প্ৰকাশ কৰে যে চৰকাৰখনে ঋণ লৈ অসমখন ধ্বংস কৰিলে। কিন্তু তেওঁ আজি ঋণ ল'বলৈ পৰামৰ্শ দিলে। তেওঁক এডিবিৰ পইচা লাগে। এছিয়ান ডেভেলপমেণ্টৰ টকাৰে তেওঁৰ সমষ্টিত উন্নয়ন লাগে, গতিকে তেওঁ আমাৰ ঋণ লোৱাৰ যি প্ৰক্ৰিয়া তাক ন্যাৰ্যতা (দহ পৃষ্ঠাত চাওক)

# দেশৰ নিৰ্বাচন আয়োগৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে জ্ঞানেশ কুমাৰক নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ নিৰ্বাচন আয়োগৰ মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে জ্ঞানেশ কুমাৰক নিযুক্তি দিয়া হৈছে। ১৯ ফেব্ৰুৱাৰীত দেশৰ নিৰ্বাচন আয়ুক্তৰ পদ গ্ৰহণ কৰাৰ পাছতে জ্ঞানেশ কুমাৰ কাৰ্যাকাল থাকিব ২০২৯ চনৰ ২৬ জানুৱাৰীলৈ। মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্ত (নিযুক্তি, সেৱাৰ চৰ্ত আৰু কাৰ্যকাল) আইন, ২০২৩ৰ ৪ নং ধাৰাত প্ৰদান কৰা ক্ষমতাৰ অধীনত এই নিযুক্তি প্ৰদান কৰা হয়। ইতিমধ্যে এই সন্দৰ্ভত এক অধিসূচনা জাৰি কৰা হৈছে, য'ত কোৱা হৈছে যে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্ত (নিযুক্তি, সেৱাৰ চৰ্ত আৰু কাৰ্যকাল) আইন-২০২৩ৰ ধাৰা ৪ৰ ক্ষমতা প্ৰয়োগ কৰি ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিছে। আন এক অধিসূচনাত আইন আৰু ন্যায় মন্ত্ৰালয়ে কয়, (দহ পৃষ্ঠাত চাওক)

# ভাৰত-ভুটান সীমান্তবৰ্তী পথ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাজেট অধিৱেশনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰত-ভুটান সীমান্তবৰ্তী বিষমুৰী-উল্টাপানী-সৰলপাৰা পথ পৰিদৰ্শন কৰে। দীঘলীপাৰাৰ পৰা উল্টাপানী-সৰলপাৰা হৈ ভুটান সীমান্তলৈ যোৱা উক্ত পথ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই পথটো শীঘ্ৰেই নিৰ্মাণৰ বাবে কাম-কাজ আৰম্ভ কৰা হ'ব বুলি সদৰী কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যোৱা লোকসভা নিৰ্বাচনত কাৰিগাঁৱৰ এখন সভাত তেওঁ পথটি সুন্দৰ ৰূপত নিৰ্মাণ কৰি দিয়াৰ (দহ পৃষ্ঠাত চাওক)

# ৰাজীৱ ভৱনত ৰাজ্যিক সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি মাৰ-পিট



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজীৱ ভৱনত প্ৰচণ্ড মাৰপিটৰ ঘটনা। ৰাজ্যিক সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি মাৰপিট। জীনছ বৰা নামৰ এজন প্ৰাৰ্থিত্ব প্ৰত্যাশীক মাৰপিটৰ অভিযোগ। সতীৰ্থৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে যুৱ কংগ্ৰেছৰ নেতাগৰাকী। জানিব পৰা মতে গুৱাহাটীৰ ৰাজীৱ ভৱনত দুই ফৈদৰ মাজত ভয়ংকৰ মাৰপিট সংঘটিত হয়। NSUIৰ সভাপতি নিৰ্বাচনক কেন্দ্ৰ কৰি এই কাজিয়াৰ সূত্ৰপাত হয় বুলি জানিব পৰা গৈছে। জীনছ বৰা নামৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰাৰ অভিযোগ। আক্ৰমণকাৰীয়ে জীনছ বৰাৰ মুৰত বেয়াকৈ প্ৰহাৰ কৰে। যাৰ বাবে সভাপতি প্ৰাৰ্থীগৰাকীৰ মূৰৰ পৰা যথেষ্ট ৰক্তক্ষৰণ হয়। তথ্য অনুসৰি আক্ৰমণকাৰী দুই অভিযুক্তৰ নাম মিঠু আহমেদ আৰু (দহ পৃষ্ঠাত চাওক)

# অসমীয়া বিজ্ঞানী গুৰুপ্ৰসাদ দাস



বন্দিতা শৰ্মা কন্দলি


অসমৰ উল্লেখযোগ্য বিজ্ঞানী সকলৰ ভিতৰত বৰপেটাৰ গুৰুপ্ৰসাদ দাস অন্যতম। ১৯০৪ চনৰ ১২ ফ্ৰেব্ৰুৱাৰীত বৰপেটাৰ মৰানদীৰ পাৰৰ বিলৰতাৰীহাটী নামৰ ঠাইত জন্ম গ্ৰহন কৰা গুৰুপ্ৰসাদ দাসৰ পিতৃ ৰামপ্ৰসাদ দাস এজন নাম জ্বলা উকিল আৰু জনপ্ৰিয় সমাজকৰ্মী আছিল। মাতৃ আছিল পদ্মাৱতী দাস।

গুৰুপ্ৰসাদে সৰুৰে পৰাই মুকলি মনেৰে থাকি ভাল পাইছিল। ঘৰ আৰু বিদ্যালয়ৰ বান্ধোন সমুলি পচন্দ নকৰিছিল। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি তেওঁ বৰপেটা উচ্চমাধ্যমিক বিদ্যালয়ত নাম ভৰ্তি কৰে। বিদ্যালয়ৰ অনুশাসন আৰু পঢ়া-শুনা বোৰে গুৰুপ্ৰসাদৰ বিদ্যালয়ৰ প্ৰতি থকা ধাউতি কমাই আনিবলৈ ধৰিলে। বিদ্যালয়লৈ নগৈ অনাই বনাই ঘূৰি ফুৰা, শ্ৰেণীত অমনোযোগী আদিৰ বাবে তেওঁ ভাল ফলাফল দেখুৱাব পৰা নাছিল। ভুগোল বিষয়ৰ শিক্ষকে তেওঁক গুৰু বিপৰীতে গৰু নামেৰে মাতিছিল। সেই সময়তে গান্ধীজীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল আৰু পঢ়া-শুনালৈ সম্পূৰ্ণ ভাৱে পিঠি দিয়ে। সপ্তম শ্ৰেণীতে পঢ়া এৰা গুৰুপ্ৰসাদে বৰপেটাৰ কাপোৰৰ ব্যৱসায়ী এজনৰ লগত ঘৰৰ বাধা নামানি কলিকতালৈ যায়। কাপোৰৰ ব্যৱসায় এৰি কিছুদিনৰ পাছত তেওঁ এটা মটৰগাড়ীৰ গেৰেজত কাম কৰিবলৈ লয়। সেই গেৰেজলৈ মটৰ গাড়ী ভাল কৰিবলৈ Thompson & Co নামৰ তীখা উদ্যোগৰ এজন বৃটিছ ব্যৱসায়ী আহিছিল। গুৰুপ্ৰসাদৰ কামৰ দক্ষতা দেখি তেওঁ গুৰুপ্ৰসাদক কলিকতা কাৰিকৰী বিদ্যালয়ত নাম ভৰ্তি কৰাই দিয়াৰ লগতে নিজৰ তীখা উদ্যোগত কাম কৰাৰ সুযোগ দিয়ে। তিনি বছৰৰ পাছত তেওঁ কাৰিকৰী শিক্ষাৰ ডিপ্লোমা লাভ কৰে। কলিকতাৰ ইডেন গাৰ্ডেনত সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা কাৰিকৰী মেলাত গুৰুপ্ৰসাদে Thompson & Co ৰ হৈ প্ৰতিনিধিত্ব কৰি প্ৰসংশা লাভ কৰে। তেওঁৰ কৌশলী উদ্ভাৱন ক্ষমতাই বৃটিছ সকলক মুগ্ধ কৰিছিল। ১৯২৫ চনত অসমৰ গভৰ্ণৰ বিলটন বেলে তেওঁক উন্নত কাৰিকৰী শিক্ষাৰ বাবে ইংলেণ্ডলৈ পঠোৱাৰ ব্যৱস্থা কৰি দিয়ে। ১৯২৭ চনত সম্পূৰ্ণ চৰকাৰী উদ্যোগত ইংলেণ্ডলৈ যায় আৰু তাত বাষ্প ইঞ্জিন সম্বন্ধে ডিপ্লোমা লাভ কৰে। বৃটিছ চৰকাৰে তেওঁক মেকানিকেল ইঞ্জিনিয়াৰিঙ ৰ স্নাতক পৰীক্ষা দিবলৈ অনুমতি প্ৰদান কৰে। গুৰুপ্ৰসাদে সফলতাৰে সেই ডিগ্ৰী লাভ কৰি বৃটিছ ছাবমেৰিনত প্ৰথম ভাৰতীয় মেকানিকেল ইঞ্জিনিয়াৰ হিচাপে কাম কৰে। তাৰ পিছত তেওঁ জাৰ্মানী লৈ গৈ বাষ্প ইঞ্জিনৰ ওপৰত অধ্যয়ন চলাই Heat Meter নামৰ যন্ত্ৰটো আৱিষ্কাৰ কৰে।

ইংলেণ্ডলৈ ঘূৰি অহি তেওঁ Imperial Railway Service ত ইঞ্জিনিয়াৰ হিচাপে যোগদান কৰে আৰু ১৯৩০ চনত ৰেলগাড়ীৰ ভেকুৱাম ব্ৰেক আৱিষ্কাৰ কৰে। তেওঁৰ নামেৰেই ভেকুৱাম ব্ৰেকক জি.পি. ব্ৰেক বুলি জনা যায়। সেই সময়ত তেওঁ কেইবাটাও যন্ত্ৰ আৱিষ্কাৰ কৰে। তাৰ ভিতৰত চলন্ত ৰেলৰ গতিবেগ কমাব পৰা 'এছক্ৰাফট কাট আৰু কণ্ট্ৰল গেজ', বয়লাৰ আৰু 'ছেফটি ভালভ্' আদি প্ৰধান। তেওঁ ইংলেণ্ডৰ 'ইনষ্টিটিউট অফ মেকানিকেল ইঞ্জিনিয়াৰিঙ' ৰ পৰা সন্মানিত 'Associated Member of Institute of Mechanical Engineers' মৰ্যদা লাভ কৰে। তাৰোপৰি লণ্ডনত থকা ভাৰতীয় ৰে'লসেৱা বিভাগত উচ্চ খাপৰ চাকৰি লাভ কৰে। তেনে পদবী লাভ কৰা তেৱেঁই আছিল প্ৰথম অসমীয়া ব্যক্তি।

১৯৩১ চনত তেওঁ ভাৰতলৈ ঘুৰি আহি কলিকতাৰ হাওৱা ষ্টেচনৰ উচ্চ পদবীৰ চাকৰিত যোগদান কৰে। তাৰ পাছত তেওঁ ক্ৰমে বাৰ্মা তেল কোম্পানী আৰু কলকাতা পৌৰ নিগমৰ মেয়ৰ হিচাপেও সেৱা আগবঢ়াইছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত কাণপুৰত থকা অস্ত্ৰ- শস্ত্ৰ নিৰ্মাণ কাৰখানাৰ পৰিচালনাৰ দায়িত্ব ভাৰত চৰকাৰে তেওঁক প্ৰদান কৰে। তেওঁ সামৰিক বিভাগৰ পৰা 'কৰ্ণেল' উপাধি লাভ কৰিছিল। স্কুলীয়া শিক্ষা সমাপ্ত কৰা নাছিল যদিও তেওঁ কৰ্মনিষ্ঠা আৰু একানপতীয়া চেষ্টাৰ বলতে জীৱনত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এই জনা মহান বিজ্ঞানীৰ ১৯৮২ চনৰ ১৯ ফ্ৰেব্ৰুৱাৰী তাৰিখে কলকাতাৰ নিজ বাসভৱনত মৃত্যু হয়।

# নিজকে ভাল পাবলৈ শিকোঁ আহক




জীৱনৰ প্ৰতিটো খোজতে আত্মপ্ৰেমৰ যথেষ্ট প্ৰয়োজন আছে। আত্মপ্ৰেম স্বাৰ্থপৰ নহয়, ই হৈছে এক সুস্থ - সবল, পৰিপূৰ্ণ জীৱনৰ মূল শিলাস্তম্ভ । ই হৈছে নিজকে মূল্য দিয়া, অসম্পূৰ্ণতাক আঁকোৱালি লোৱা আৰু আমি নিজৰ সৈতে ইতিবাচক সম্পৰ্ক গঢ়ি তোলাৰ এক অভ্যাস। আত্মপ্ৰেমৰ আৰম্ভণি হয় আত্মগ্ৰহণৰ পৰা। অতীতৰ ভুলৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে বা নিজকে আনৰ লগত তুলনা কৰাৰ পৰিৱৰ্তে আমি নিজৰ উন্নতিৰ লগতে আনকো কেনেদৰে সহায় সহযোগিতা কৰিব পাৰোঁ সেই বিষয়ে গুৰুত্ব দিয়া উচিত। মানসিকতাৰ এই পৰিৱৰ্তনে স্থিতিস্থাপকতা আৰু আভ্যন্তৰীণ শান্তিৰ পোষকতা কৰে। আত্মপ্ৰেম কোনো গন্তব্যস্থান নহয় বৰঞ্চ এক যাত্ৰা - যাৰ বাবে ধৈৰ্য্য, অভ্যাস আৰু অধ্যৱসায়ৰ প্ৰয়োজন। যেতিয়া আপুনি নিজকে ভাল পায় তেতিয়া আপুনি অধিক প্ৰামাণিকভাৱে জীয়াই থাকিব পাৰে আৰু আত্মবিশ্বাসেৰে সকলো কামতে আগুৱাই যাব পাৰে।

**হীৰক কলিতা, স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ, নলবাৰী মহাবিদ্যালয়**


# শব্দৰ লগনত

সংগীতা ডেকা, ৰঙিয়া



আশা থাকিল
তুমি দুচকুৰে ক'বা
বৰ্ণনাতীত ভাবে
সমিধান বিচাৰিবা
সাঁথৰ মোৰ শব্দবোৰৰ!
কিজানিবা তোমাৰ দৃষ্টি হৈ
মুখামুখি হৈয়েই যায় !
যি মোৰ চকুৰ পতাত
পানী ৰূপে যেন ক'ৰবাত
গোট মাৰি গৈছে.....
যেন এক অচিন,
যেন এক অদৃশ্য দিশ
আৰু তাৰ,
বাকহীন আলিংগনত ।

# নিষিদ্ধ পৃথিৱী



ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়

নাচাওঁ বুলিলেও দেখোঁ
কেউফালে বিষাদগাঁথা
নোচোৱাৰ ভাও ধৰিবও নোৱাৰোঁ
চকু যায় স্বাৰ্থান্বেষী নিষিদ্ধ পৃথিৱীলৈ
ভাবোঁ শিলবোৰ বৰ কঠিন
ভাব-ভংগীৰ আওভাও নোপোৱা
দেখিছোঁ শিলেবোৰেও কান্দি উঠিছে
আছে সিঁহতৰো একোখন হৃদয়
কি দিন! কি ৰাতি !
সকলোতে দেখোন একেই গতি
নাই সুৰক্ষাৰ ৰক্ষাকৱচ
এই সময় নিজক সাহসী কৰাৰ
নিষিদ্ধ পৃথিৱীৰ দুৰ্গন্ধবোৰ
নাকত আহি লাগিছে
কাউৰী, শগুণে উৰা মাৰি আহিছে
নাই ? মাংসৰ টুকুৰা
গোন্ধহে বতাহত মলমলাই আছে
নোৱাৰিনে একতাৰ দোলেৰে বান্ধিব
নিষিদ্ধ পৃথিৱীৰ দুৰ্গন্ধ আঁতৰাব;
খিৰিকীৰ ফাঁকেৰে বতাহজাক সোমাইছে
চৌপাশত ধ্বনিত হৈছে একতাৰ সুহুৰি।

# লিমাৰিক



১)
ফাগুন আহিল পচোৱাক লগত লৈ,
বাট-পথ ধূলিৰে ভৰিল পদূলিলৈ,
শুকান পাতৰ শব্দ
চোতালত পাত জব্দ
চোতাল সাৰি সাৰি পেলাওঁগৈ গাঁতলৈ।
২)
মনৰ মাজত নতুন ভাৱৰ সৃষ্টি
আহিব যেন শিল বৰষুণৰ বৃষ্টি
শিলবোৰ বুটলিম,
জুইয়ে পুৰাত দিম,
পৰীক্ষা ভাল হ'লে তাই খুৱাব মিষ্টি।

**ৰশ্মি গগৈ, টেঙাখাত (ডিব্ৰুগড়)**

১)
জানুৱাৰীতে মালিনী থানলৈ গৈছিলোঁ
ভক্তিভাৱে সকলোৰে সেৱা কৰিছিলোঁ
পৰিৱেশ নিৰিবিলি
ফুৰো আমি মিলিজুলি
হোটেলতে ভাত খাই ঘৰমুৱা হলোঁ ।
২)
এমাহৰ আগতেই যোগাৰ কৰিলোঁ
সময়ত একোকেই বিছাৰি নাপালোঁ
কিনো কৰো হায় হায়
দিয়াহে সখী উপায়
দলেবলে অতিথি হাতযোৰ কৰিলোঁ।

**মায়া বৰদলৈ,যোৰহাট**

১)
জানুৱাৰীৰ পিছত ফেব্ৰুৱাৰী পৰে
কিয় জানো তোমালৈ মোৰ মনত পৰে
মাহৰ পিছত মাহ
কিমান তোমাৰ সাহ
ফেব্ৰুৱাৰী মাহত বেছিকৈ ঠাণ্ডা পৰে ।।
২)
মেকুৰীয়ে মেওঁ মেওঁ কৰি গ'ল গুচি
টেবুলত সজাই থৈছিলো লুচি ভাজি
শেষ কৰি খাই গ'ল
প্লেট খন গুদা হ'ল
মাজনী কিন্তু নোখোৱাকৈ গ'ল গৈ গুচি ।।

**ৰুক্মিণী দাস, শ্ৰীহাটী**

১)
দামী গাড়ী কিনিব ধনে মাকক ক'লে,
সুদত টকালৈ মাকে গাড়ী কিনি দিলে।
নিজকে ভাবে সি হিৰো,
পঢ়াত ডাবোল জিৰো।
সুদ দিব নোৱাৰি মাকে গাড়ী বেছিলে।
২)
শেৱালী বৌ জীয়েক নাই বুলি শুনিলো
দাদাৰ কান্দোন শুনি কি হৈছে ভাবিলো।
কন্দা কটা বাঢ়ি গ'ল,
চুবুৰীয়া দৌৰি গ'ল।
জীয়েক পলাল বুলি তাত গৈ জানিলো।

**মালবিকা দেৱী, শোণিতপুৰ**

# পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

আমাৰ পৃথিৱীখন পঞ্চভূত দ্ৰব্যৰ দ্বাৰা গঠিত। যেনে- বায়ু, মাটি, জল, অগ্নি, আকাশ এই সকলোবোৰ পঞ্চতত্ব অবাঞ্চিত দ্ৰব্য প্লাষ্টিক আদি কিছুমান বস্তুৰ দ্বাৰ দূষিত হৈ জীৱকুলৰ লগতে পৃথিৱীৰ গছ-বিৰিখ সকলোলৈকে ভাবুকি কঢ়িয়াই অনিছে।

এই প্ৰদূষণ পৃথিৱীৰ পশু-পক্ষীৰ বা উদ্ভিদে সৃষ্টি কৰা নাই আমাৰ মানুহৰ দ্বাৰা সৃষ্টি। গছ-গছনিবোৰ কাটি নিজৰ লাভৰ বাবে কল -কাৰখানা তৈয়াৰী কৰিছে আমাৰ মানৱ জাতিয়ে। তাৰ পৰা নিৰ্গত হোৱা ধোঁৱাই বায়ুমণ্ডল দূষিত কৰি পেলাইছে। প্লাষ্টিক বস্তুবোৰ ব্যৱহাৰ তাক য'তে ত'তে পেলাই থৈ জীৱ-জন্তুবোৰৰ মৃত্যুৰ ভাবুকি কঢ়িয়াই অনাৰ লগতে, খোৱা পানী জান -জুৰিবোৰ দূষিত হৈছে। পৃথিৱীৰ খোৱা পানীৰ মাত্ৰ ৩ শতাংশ উপযোগী, তাকো মানৱ জাতিৰ দ্বাৰা দূষিত হয়।

যিমানে আমি উন্নতিৰ ফালে গতি কৰিছো, গ্লৱেলাইজেছন ধ্বংস মুখত আগবাঢ়ি গৈ আছে। বৰ্তমান সমাজতো ইয়াৰ প্ৰভাৱ পৰিছে। কৰ'বাকে এটা সৰু ভাইৰাছ মানুহেই সৃষ্টি কৰি, পৃথিৱী তথা সমাজ ধ্বংস গ্ৰাহত পৰিছিল। আমাৰ অসমৰ বাঘজানৰ অগ্নিকাণ্ডৰ ফলত গছ গছনি ধ্বংশগ্ৰস্ত হোৱাৰ লগতে জীৱ কুলৰ যি আলাই আথানি হ'ল, সেয়া আমাৰ জীৱ শ্ৰেষ্ঠ মানৱৰ অৱদান।

গতিকে যদি এই পঞ্চতত্ব আমি প্ৰদূষণ মুক্ত কৰি ৰাখিব লাগে, তেতিয়া সমাজ তথা ধৰা খন সুন্দৰ হৈ থাকিব।

প্ৰতিকাৰৰ উপায়-

১) বৃক্ষ ৰোপন আৰু সেই বৃক্ষ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিব লাগে।

২) ঘৰৰ ওচৰৰ পাজৰৰ নলা - নৰ্দমা আদি চাফ-চিকুনাই ৰাখিব লাগে।

৩) ৰাজহুৱা ঠাই আদিত যতে ততে থু -খেকাৰ পেলাব নালাগে। চাফ চিকুনাই ৰখা আমাৰে দায়িত্ব।

৪) দাছবিন ব্যৱহাৰ কৰিব লাগে।


৫) পানী জমা হ'ব দিব নালাগে। মহে কণী পাৰি বংশ বৃদ্ধি কৰে।

৬) ব্লেচিং/ডি ডি টি আদি প্ৰয়োগ কৰি পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিব লাগে।

৭) বৰষুণৰ পানী এশ শতাংশই বিশুদ্ধ, ইয়াৰ ভালদৰে সংৰক্ষণ কৰিব পাৰিলে, জীৱ কুলৰ উপকাৰ হ'ব।

সেই কাৰণে বিশ্ব স্বাস্থ্য সংস্থাই ১৯৭৩চনত ৫জুনৰ পৰা বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ সিদ্ধান্ত লৈছিল। বৰ্তমান গোটেই বিশ্বই পালন কৰে।

# সমাগত মহাশিৱৰাত্ৰি



**বিশ্বজিৎ বৈশ্য, বংশৰ, শুৱালকুছি**


সেইদিনা হৈছে শিৱৰ বিয়া। তেওঁৰ প্ৰতিটো মন্দিৰ, দেৱালয়ত বিশেষভাৱে পূজা-অৰ্চনা কৰা হয়। পুৱাৰে পৰা ভক্তৰ লানি নিচিগা সোতে সচাঁকৈয়ে আপ্লুত কৰে সকলোকে। ভক্তৰ ভক্তিভৰা পৰিৱেশে চৌপাশৰ আকাশ-বতাহ মুখৰিত কৰি তোলা দেখা যায়। শিৱৰাত্ৰিৰ দিনা ঠায়ে ঠায়ে বিভিন্ন ভক্তিভৰা অনুষ্ঠিত হয়। বেলপাত, ধূপ-চাকি নৈৱদ্যৰে সজোৱা শৰাই আগবঢ়াই নিজৰ মনৰ কামনা পূৰণৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে। তেনেদৰে প্ৰচলিত হোৱা ঐতিহ্যমণ্ডিত ঠাইসমূহত এতিয়াও লোকে-লোকাৰণ্য হৈ পৰা দেখা যায়। সেইদিনা ভক্তসকলে উপৱাসে থাকি নিশা শিৱৰ মহাভোগ গ্ৰহণ কৰে।

১)
মানুহে শিৱৰাত্ৰি মেলা চাবলৈ যায়
ৰাষ্টাৰ কাষতে থকা লাৰু কিনি খায়
লাৰু খাই নিচা ধৰে
ৰাষ্টাতেই ঢলি পৰে
ঢুকালে বুলি মানুহে ঘুৰি ঘুৰি চায় ।
২)
শিৱৰাত্ৰিত বস্ত্ৰ কিনিবলৈ সোমালো
মানুহৰ ভিৰত লুটিখাই পৰিলোঁ
চেণ্ডেল জোৰো চিঙিল
ভৰি এটাও ভাঙিল
শিৱৰাত্ৰিলৈ নাযাও কাণত ধৰিলো।

**বীনা গোস্বামী, শিৱসাগৰ**
**আমোলাপট্টি,বেজবৰুৱা চুক**

১)
প্ৰতিবেশীৰ ঘৰত মাংস ৰান্ধিছে
গোন্ধত চুবুৰীয়াৰ লোভহে লাগিছে,
লাগে লাজ খুজিবলৈ
কিনিয়ে আনো খাবলৈ
খাই লৈহে মনটোৰে শান্তনা লভিছে ।
২)
কিনা মাংস খাই গোলমাল পেটৰ
দোকানত বা সাঁচি থোৱা কেইদিনৰ,
লোভত মৰিলো খাই
ৰক্ষাই নাপালোঁ ভাই
গৈয়ে আছোঁ ক'ত বাৰ বাহিৰ ভিতৰ ।

**ৰীমা গায়ন বৰা**




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হ্বাটছএপ কৰক

# ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ (NSC) কি? আপুনি ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰৰ পৰা কেনেদৰে লাভান্বিত হ'ব?




**ড° দিলোৱাৰ হক**

এনএছচিৰ (NSC) অৰ্থ হৈছে ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ। ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ হৈছে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত এক সঞ্চয় আঁচনিৰ প্ৰমাণপত্ৰ যাক ভাৰতত বসবাস কৰা সকলো ভাৰতীয় নাগৰিকে ভাৰতৰ যিকোনো ডাকঘৰৰ পৰা ক্ৰয় কৰিব পাৰে। ভাৰতত বসবাস কৰা কোনো এজন প্ৰাপ্তবয়স্ক ভাৰতীয় নাগৰিকে তেওঁৰ নিজৰ নামত ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰে। ইয়াৰোপৰি অভিভাৱক হিচাপে তেওঁ কোনো এজন নাবালকৰ নামত বা মানসিকভাৱে অসুস্থ ব্যক্তিৰ নামতো ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰিব। ১০ বছৰ বয়সত উপনীত হোৱা এজন নাবালকে তেওঁৰ নামত ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰে। এই আঁচনিৰ অধীনত সৰ্বাধিক তিনিজন প্ৰাপ্তবয়স্ক ব্যক্তি লগ হৈ যৌথ একাউণ্টৰ ৰূপত ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰে। কিন্তু অনাবাসী ভাৰতীয় ((এনআৰআই) (NRI)), ট্ৰাষ্ট আৰু হিন্দু অবিভক্ত পৰিয়াল ((এইচইউএফ)(HUF)) এই আঁচনিৰ অধীনত একাউণ্ট খুলিব নোৱাৰিব আৰু ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব নোৱাৰিব। কেৱল ভাৰতীয় বাসিন্দাই এনএছচি প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰে। ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ (এনএছচি) আঁচনিৰ অধীনত প্ৰমাণপত্ৰ নগদ ধন বা চেকৰ দ্বাৰা ক্ৰয় কৰিব পাৰে। নগদ ধনৰ ক্ষেত্ৰত ধন জমা কৰাৰ তাৰিখ হ'ব একাউণ্ট খোলাৰ তাৰিখ। কিন্তু চেকৰ ক্ষেত্ৰত, একাউণ্টত চেক প্ৰাপ্ত কৰাৰ তাৰিখ হ'ব একাউণ্ট খোলাৰ তাৰিখ।

কিমান টকাৰ সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰিব?

ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ আঁচনিৰ অধীনত ন্যূনতম ১, ০০০ টকাৰ ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰিব লাগিব। অৰ্থাৎ নিম্নতম জমাৰ পৰিমাণ হৈছে ১, ০০০ টকা। সৰ্বাধিক জমা টকাৰ পৰিমাণৰ ক্ষেত্ৰত কোনো নিৰিখৰ সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। গতিকে সৰ্বোচ্চ পৰিমাণৰ ক্ষেত্ৰত এজন ব্যক্তিয়ে যিমান ইচ্ছা সিমান পৰিমাণৰ টকাৰ সঞ্চয়ৰ প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰিব মাথোন জমাৰ পৰিমাণ ১০০ টকাৰ গুণিতকত হ'ব লাগিব। উদাহৰণ স্বৰূপে, ১, ১০০ টকা, ১, ২০০ টকা, ১, ৩০০ টকা, ১, ৪০০ টকা ইত্যাদি। কোনো এজন ব্যক্তিয়ে যিকোনো সংখ্যক এনএছচি প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰে। সংখ্যাৰ ক্ষেত্ৰতো কোনো সীমা নিৰ্ধাৰণ কৰা হোৱা নাই।

**এন.এছ.চি.-ৰ পৰিপক্কতাৰ ম্যাদঃ** ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰৰ পৰিপক্কতা লাভৰ ম্যাদ হৈছে ৫ বছৰ। একাউণ্ট খোলাৰ তাৰিখৰ পৰা ৫ বছৰ পূৰ্ণ হোৱাৰ দিনাই ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ পৰিপক্কতা লাভ কৰে আৰু সঞ্চয় প্ৰমাণপত্ৰৰ ক্ৰেতাই ৫ বছৰৰ শেষত ডাকঘৰত প্ৰমাণপত্ৰ দাখিল কৰি ম্যাদপূৰ্তিৰ পৰিমাণ (জমাৰ পৰিমাণ + উপাৰ্জন কৰা সূত) ডাকঘৰৰ পৰা ঘূৰাই পাব। আগতে, ১০ বছৰৰ এনএছচিও আছিল। কিন্তু, ইয়াক ২০১৫ চনৰ ২০ ডিচেম্বৰৰ পৰা বন্ধ কৰা হৈছে।

**সূতৰ হাৰ (%):** এন.এছ.চি.-ৰ অধীনত বৰ্তমানৰ বাৰ্ষিক সূতৰ হাৰ হৈছে ৭.৭০ %। এন.এছ.চি.-ৰ সমগ্ৰ কাৰ্যকালত অৰ্থাৎ একাউণ্ট খোলাৰ দিনৰ পৰা পৰিপক্কতা লাভ কৰালৈকে সূতৰ হাৰ একে থাকিব। এবাৰ সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰাৰ পিছত সূতৰ হাৰত পৰিৱৰ্তন হ'লেও ইতিমধ্যেই ক্ৰয় কৰা প্ৰমাণপত্ৰবোৰৰ সূতৰ হাৰ সলনি নহ'ব। সেয়ে এই আঁচনিৰ অধীনত আয় উপাৰ্জনৰ নিশ্চয়তা থাকে। ২০১৬ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা এই আঁচনিৰ সূতৰ হাৰ তিনিমহীয়া ভিত্তিত ঘোষণা কৰা হৈছে। পূৰ্বে সূতৰ হাৰ বাৰ্ষিক ভিত্তিত ঘোষণা কৰা হৈছিল।

**আয়কৰ লাভালাভঃ** ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰৰ আঁচনিৰ অধীনত আয়কৰৰ হিচাপত কিছুমান সুবিধা লাভ কৰিব পাৰে। ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱা নিয়ম অনুসৰি আপুনি পুৰণি কৰ প্ৰণালী বা নতুন কৰ প্ৰণালী বাছনি কৰিব পাৰিব আৰু এই বাছনি কৰা কৰ প্ৰণালীৰ ওপৰত আয়কৰৰ লাভালাভ নিৰ্ভৰ কৰিব। যদিহে পুৰণি কৰ প্ৰণালী বাছনি কৰে তেন্তে ৰ.প্ত লাখ টকালৈকে জমাৰ পৰিমাণ আয়কৰ আইনৰ ধাৰা ৮০গ (80C)-ৰ অধীনত কৰ কৰ্তনৰ বাবে যোগ্য হ'ব। লগতে উপাৰ্জিত বাৰ্ষিক সূত "অন্যান্য উৎসৰ পৰা উপাৰ্জন" শাখাৰ অধীনত ঘোষণা কৰা প্ৰয়োজন, যিটো কৰমুক্ত হ'ব।

এই আঁচনিত প্ৰাপ্ত বাৰ্ষিক সূত আয়কৰ আইনৰ ধাৰা ৮০গ-ৰ অধীনত পুনৰ বিনিয়োগ কৰা বুলি বিবেচনা কৰা হয় আৰু সেয়েহে কৰ কৰ্তনৰ বাবে যোগ্য। সেয়েহে, "আন উৎসৰ পৰা উপাৰ্জন" আৰু "ধাৰা ৮০গ-ৰ অধীনত কৰ্তন" ইজনে সিজনক বাতিল কৰে আৰু এই আঁচনিখনৰ সূতৰ ওপৰত কৰমুক্ত কৰে। কেৱল শেষৰ বছৰত (৫ম বছৰ) উপাৰ্জন কৰা সূত কৰযোগ্য হয়, কিয়নো ইয়াক পুনৰ বিনিয়োগ কৰা নহয় আৰু ইয়াক বিনিয়োগকাৰীক ঘূৰাই দিয়া হয়। ডাকঘৰৰ দ্বাৰা এই আঁচনিৰ অধীনত উৎসত কৰ কৰ্তন (TDS) কৰাৰ ব্যৱস্থা নাই।

কিন্তু, যদিহে নতুন কৰ প্ৰণালী বাছনি কৰিছে তেন্তে সঞ্চয়ৰ প্ৰমাণপত্ৰৰ ক্ৰেতাই আয়কৰৰ হিচাপত কোনো লাভালাভ নাপাব। জমাৰ পৰিমাণে আয়কৰ আইনৰ ধাৰা ৮০গ-ৰ অধীনত কোনো কৰ্তনৰ লাভালাভ নাপাব। লগতে ম্যাদপূৰ্তিৰ সময়ত সূতৰ পৰিমাণ কৰযোগ্য হ'ব। কৰ ৰিটাৰ্ণৰ সময়ত আপোনাক "আন উৎসৰ পৰা উপাৰ্জন"ৰ অধীনত সূতৰ পৰিমাণ ঘোষণা কৰিব লাগিব আৰু আপোনাৰ আয়কৰ শ্লেব অনুসৰি আয়কৰ পৰিশোধ কৰিব লাগিব।

**এনএছচিৰ পূৰ্ব- পৰিপক্ক সমাপ্তিঃ** আপুনি ম্যাদপূৰ্তিৰ ম্যাদৰ আগতে এনএছচি পূৰ্ব-পৰিপক্কভাৱে বন্ধ কৰিব পাৰে। কিন্তু, ইয়াক কেৱল নিম্নলিখিত বিশেষ পৰিস্থিতিত হে অনুমতি দিয়া হয়ঃ

ক) যুটীয়া ধাৰকৰ ক্ষেত্ৰত একাউণ্ট ধাৰকৰ মৃত্যু হ'লে বন্ধ কৰিব পাৰিব। আৰু

খ) যেতিয়া আদালতৰ দ্বাৰা আদেশ দিয়া হয়।

আগতে এন.এছ.চি. পূৰ্ব-পৰিপক্কভাৱে বন্ধ কৰিবলৈ প্ৰমাণপত্ৰ ক্ৰয়ৰ ভৌতিক প্ৰমাণপত্ৰ সমৰ্পণ কৰিব লগা হৈছিল। কিন্তু ২০১৬ চনৰ ১ জুলাইৰ পিছত ক্ৰয় কৰা এনএছচিৰ বাবে, আপুনি আপোনাৰ এনএছচি প্ৰাকপৰিপক্কভাৱে বন্ধ কৰিবলৈ এনএছচি পাছবুক সমৰ্পণ কৰিব লাগিব। ডাকঘৰে পাছবুক সংগ্ৰহ কৰিব আৰু ক্ৰেতাই পাবলগীয়া চূড়ান্ত পৰিমাণৰ ধন ঘূৰাই দিব।

**ঋণৰ সুবিধাঃ** আপুনি বেংকৰ পৰা ঋণ পাবলৈ এনএছচি প্ৰমাণপত্ৰক জামানত সুৰক্ষা হিচাপে ব্যৱহাৰ কৰিব পাৰে। বেংকৰ পৰা ঋণ পাবলৈ আপুনি বেঙ্কত ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ বা পাছবুক দাখিল কৰিব লাগিব অথবা প্ৰতিশ্ৰুতি দিব লাগিব।

**এনএছচি একাউণ্ট স্থানান্তৰঃ** এনএছচি প্ৰমাণপত্ৰবোৰ এটা ডাকঘৰৰ পৰা আন এটা ডাকঘৰলৈ স্থানান্তৰ কৰিব পাৰি। লগতে এনএছচিৰ প্ৰমাণপত্ৰ এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈও স্থানান্তৰ কৰিব পাৰি। কিন্তু, ইয়াক সঞ্চয় প্ৰমাণপত্ৰ ক্ৰয় কৰা তাৰিখৰ পৰা পৰিপক্কতাৰ তাৰিখলৈ কেৱল এবাৰহে কৰিব পাৰি। আগতে, স্থানান্তৰ প্ৰক্ৰিয়াৰ সময়ত পুৰণি গৰাকীৰ ভৌতিক প্ৰমাণপত্ৰ নতুন গৰাকীক দিয়া হৈছিল। কিন্তু, ২০১৬ চনৰ ১ জুলাইৰ পিছত ক্ৰয় কৰা এনএছচি স্থানান্তৰ কৰিবলৈ, পুৰণি গৰাকীয়ে পাছবুক দাখিল কৰিব লাগে। ডাকঘৰে পুৰণি মালিকৰ প্ৰৱিষ্টিবোৰ প্ৰত্যাহাৰ কৰিব আৰু তেওঁৰ ঠাইত নতুন গৰাকীক একেখন পাছবুক জাৰী কৰিব।

**মনোনয়ন সুবিধাঃ** ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ আঁচনিৰ অধীনত মনোনয়নৰ সুবিধা উপলব্ধ হয়। আপুনি প্ৰমাণপত্ৰ ক্ৰয় কৰাৰ সময়ত বা প্ৰমাণপত্ৰ ক্ৰয় কৰাৰ পিছত কিন্তু পৰিপক্কতাৰ আগতে মনোনীত কৰিব পাৰে। প্ৰকৃত ক্ৰেতাৰ মৃত্যু হ'লে মনোনীত ব্যক্তিয়ে সঞ্চয়ৰ ধন ঘূৰাই পাব।

**লাভালাভৰ উদাহৰণঃ** এন.এছ.চি.-ত বছৰি ৭.৭০ শতাংশ সূতৰ হাৰৰ সৈতে ১, ০০, ০০০ টকাৰ একমুঠ জমা ৰখাৰ বিনিয়োগে আপোনাক ৫ বছৰৰ পিছত ১, ৪৪, ৯০৩.৪ৰ টকা প্ৰদান কৰিব। সেয়েহে, আপুনি ৫ বছৰত মুঠ ৪৪, ৯০৩.৪১ টকা উপাৰ্জন কৰিছে। এই আঁচনিৰ অধীনত কৰা সঞ্চয় এক সুৰক্ষিত বিনিয়োগ কাৰণ ইয়াত এক নিৰ্দিষ্ট সূতৰ হাৰত নিশ্চিত আয়ৰ প্ৰতিদানৰ লগতে জমা কৰা সঞ্চয়ৰ সম্পূৰ্ণ টকা পৰিপক্কতাৰ সময়ত সুতে-মূলে ঘূৰাই পায়।

যিহেতুকে ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণপত্ৰ আঁচনিৰ অধীনত কৰা সঞ্চয় এক সুৰক্ষিত আৰু কৰমুক্ত আয় উপাৰ্জনৰ উৎস, গতিকেই এই আঁচনিৰ অধীনত সকলোৰেই লাভান্বিত হ'ব। বিশেষকৈ নিম্ন আয়ৰ উপাৰ্জনকাৰীসকলে তেওঁলোকৰ ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি এই আঁচনিত অংশ গ্ৰহণ কৰিব লাগে, কাৰণ এই দৰে কৰা ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি তেওঁলোকৰ আৰ্থিক দিশত টনকীয়াল হোৱাৰ সুযোগ লাভ কৰিব।

অণুগল্প

## অহেতুক



শৈলেন কুমাৰ, মিৰ্জা

তুমি এই ক্ষেত্ৰখনত যিহেতুকে নতুন গতিকে নিজকে বহু জ্ঞানী বুলি জহাই নুফুৰিবা বুজিছা নহয়, এৰা! জীৱনৰ শেষ মুহূৰ্তলৈ মই এজন শিষ্যই হৈ থাকিব বিচাৰোঁ কাৰণ জন্ম মোৰ স্বইচ্ছাৰে হোৱা নাই আৰু মৃত্যুও মোৰ স্বইচ্ছাৰে নহয় গতিকে এই জগতৰ নিয়ম অনুযায়ী কোনোবাৰ স্বইচ্ছাত কোনো কৰ্মই সংঘটিত নহয়।

# গ্ৰেপ্তাৰ ইউএছটিএমৰ

কৰ্তৃপক্ষই ৪০০ কিঃমিঃ দূৰৰ পৰা আনি তেওঁলোকক উক্ত কেন্দ্ৰটোত পৰীক্ষাত অৱতীৰ্ণ কৰালে ? উল্লেখ্য যে শ্ৰীভূমিৰ চেণ্ট্ৰেল পাব্লিক স্কুললৈ নিয়া ২১৪ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত গোৱালপাৰা, নগাঁও আৰু কামৰূপ জিলাৰ ছাত্ৰ-ছাত্ৰী। উক্ত অভিযোগ ৰাজ্যজুৰি বিয়পি পৰাৰ পাছতে শুকুৰবাৰে মাজনিশা প্ৰায় ১.৩০ বজাত অসম আৰক্ষী আৰু এছটিএফে যুটীয়াভাৱে অভিযান চলাই ইউএছটিএমৰ আচাৰ্য মহবুবুল হকক গ্ৰেপ্তাৰ কৰে। নিশাই শ্ৰীভূমি আৰক্ষীয়ে নিজৰ জিম্মাত লৈ পুৱাই পাথাৰকান্দি অভিমুখে লৈ যায় বিতৰ্কিত মহবুবুল হকক। ইতিমধ্যে শ্ৰীভূমিৰ পাথাৰকান্দি থানাত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(৩)/৩১৮/(৪)/৩১৬(৩) নং ধাৰাৰ অধীনত ৰুজু হোৱা ৫৪/২৫ নম্বৰৰ গোচৰৰ ভিত্তিত বিতৰ্কিত মহবুবুল হকক গ্ৰেপ্তাৰ কৰে শ্ৰীভূমি আৰক্ষীয়ে। অকল স্বত্বাধিকাৰী মহবুবুল হকেই নহয়, এই কেলেংকাৰীত পাথাৰকান্দি চেণ্ট্ৰেল পাব্লিক স্কুলৰ ৫গৰাকী শিক্ষক-শিক্ষয়িত্ৰীকো গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ধৃত ৫গৰাকী শিক্ষক-শিক্ষয়িত্ৰী হৈছে ক্ৰমে নুমান আহমেদ, ইমদাদুৰ ৰহমান, ৰেজ্জাক আলী, বিজয় দত্ত আৰু হীৰামণি শইকীয়া। গ্ৰেপ্তাৰ কৰা শিক্ষককেইজনৰ ভিতৰত হীৰামণি শইকীয়া চেন্টেল পাব্লিক স্কুলৰ অধ্যক্ষ বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া যে উন্নত শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে জনতাক আভুৱা-ভাঁৰি দীৰ্ঘদিন ধৰি শিক্ষাৰ নামত এখন বজাৰ চলাই আহিছিল ইআৰডি ফাউণ্ডেচনৰ স্বত্বাধিকাৰী তথা ইউএছটিএমৰ আচাৰ্য মহবুবুল হকে। বিভিন্ন সময়ত তেওঁৰ নেতৃত্বাধীন ইউএছটিএমৰ শিক্ষা পদ্ধতিত থকা আসোঁৱাহক লৈও বহু ধৰণৰ অভিযোগ উত্থাপিত হৈছিল। গ্ৰেপ্তাৰ কৰা সকলোকে কৰিমগঞ্জৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়।

# আজি ডুবাইত ভাৰত

পৰাস্ত হ'লে পাক বাহিনীয়ে কাৰ্যতঃ প্ৰতিযোগিতাখনৰ পৰা বিদায় লোৱাটো - একপ্ৰকাৰ নিশ্চিত হৈ পৰিব। বাংলাদেশৰ বিপক্ষে খেলা মেচখনত দলটোৰ সতীৰ্থসকলৰ প্ৰদৰ্শনত সন্তুষ্টি ব্যক্ত কৰি টীম ইণ্ডিয়াৰ অধিনায়ক ৰোহিত শৰ্মাই কয় যে পাকিস্তানৰ বিপক্ষে খেলাটো সদায়ে এক অতিৰিক্ত চাপ। গ্ৰুপৰ প্ৰথমখন মেচত সতীৰ্থসকলে সুন্দৰ প্ৰদৰ্শন দাঙি ধৰিছে। আশা ৰাখিছোঁ এই হাইভল্টেজ মেচখনতো সতীৰ্থসকলে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব। বিৰাট কোহলী সন্দৰ্ভত অধিনায়কগৰাকীয়ে কয় যে শেহতীয়াভাৱে দুৰ্বল ফৰ্ম দাঙি ধৰা বেটাৰগৰাকীয়ে গুৰুত্বপূৰ্ণ মেচত সদায়ে উন্নত প্ৰদৰ্শন দাঙি ধৰি আহিছে। গতিকে তেওঁক লৈ আমি বিশেষ চিন্তা কৰা নাই। ইফালে ২০১৭ চনৰ চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত পৰাস্ত হোৱাৰ পোটক তোলাৰ সুবৰ্ণ সুযোগ লাভ কৰিছে ভাৰতীয় দলটোৱে। চেম্পিয়নছ ট্ৰফীত এতিয়ালৈকে দুয়োটা দলে পাঁচবাৰ মুখামুখি হৈছে আৰু পাকিস্তানে তিনিবাৰ বিজয় সাব্যস্ত কৰাৰ বিপৰীতে ভাৰতে দুবাৰ জয়ৰ সোৱাদ লাভ কৰিছে। আনহাতে এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটত দুয়োটা দলে এতিয়ালৈকে ১৩৫খন মেচত মুখামুখি হৈছে। ইয়াৰে ৫৭খন মেচত টীম ইণ্ডিয়াই জয়লাভ কৰাৰ বিপৰীতে পাকিস্তানে ৭৩খন মেচত বিজয় সাব্যস্ত কৰে। ৫খন মেচৰ ফলাফল নোলাল। আজিৰ মেচখনৰ মূল একাদশত বিশেষ সালসলনি নহয় বুলি ইংগিত দি অধিনায়ক ৰোহিত শৰ্মাই কয় যে মহম্মদ ছামীয়ে যশপ্ৰীত বুমৰাহৰ অভাৱ দূৰ কৰিছে। বাংলাদেশৰ বিপক্ষে পাঁচটাকৈ উইকেট দখল কৰি ছন্দলৈ উভতি অহা ছামীয়ে এই মেচখনতো ভাৰতীয় দলটোৰ হৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

# চেম্পিয়নছ ট্ৰফীত জয়ৰে

কৰায়। অৱশ্যে এই দুগৰাকী বেটাৰৰ বাহিৰে অন্য বেটাৰসকলে সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। ছামীয়ে ৫টা উইকেট দখল কৰি বাংলাদেশক একপ্ৰকাৰ বিধ্বস্ত কৰে। হৰ্ষিত ৰানাই ৩টা আৰু অক্ষৰ পেটেলে ২টা উইকেট দখল কৰে। জয়লাভৰ বাবে লক্ষ্য সহজ হ'লেও ডুবাইৰ মন্থৰ উইকেটত ভাৰতীয় বেটাৰে কিছু সংগ্ৰাম কৰিবলগীয়া হয়। অধিনায়ক ৰোহিত শৰ্মাই ৪১ ৰান কৰি বিদায় লোৱাৰ পিছত আনগৰাকী অ'পেনাৰ শুভমন গিলে ১২৯টা বল খেলি ১০১ ৰানত অপৰাজিত হৈ ৰয়। অৱশ্যে বিৰাট কোহলী ৩৮টা বল খেলি ২২ ৰানত আউট হয়। শ্ৰেয়াছ আয়াৰে ১৫ৰান, অক্ষৰ পেটেলে ৮ ৰান কৰি পেভিলিয়নলৈ উভতি যোৱাৰ পিছত গিলৰ সৈতে দলক বিজয়লৈ আগুৱাই নিয়ে কেএল ৰাহুলে। উইকেটকীপাৰ বেটাৰগৰাকীয়ে ৪৭টা বলত ৪১ ৰান সংগ্ৰহ কৰে। এই দুগৰাকী বেটাৰৰ সুন্দৰ বেটিঙৰ সহায়ত ভাৰতে ৪৬.৩ অভাৰতে ২৩১ ৰান কৰি চেম্পিয়নছ ট্ৰফীত দলক বিজয় উপহাৰ দিয়ে। বাংলাদেশৰ হৈ ৰিছাদ হুছেইনে দুটা আৰু তাঞ্জিম হাছান চাকিব আৰু মুস্তাফিজুৰ ৰহমানে এটাকৈ উইকেট দখল কৰে।

# চাংসাৰীত কেম্পা বটলিং প্লান্ট

যুৱক-যুৱতীক প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে প্ৰায় ১ হাজাৰক কৰ্মসংস্থাপন দিবলৈ সক্ষম হ'ব। ৰাজ্যখনত বহু দিন ধৰি উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ় লৈ নুঠাৰ বাবে বহু যুৱক-যুৱতী অন্য ৰাজ্যত কৰ্মসংস্থাপন বিচাৰি যাবলৈ বাধ্য হৈ পৰিছিল। বৰ্তমান লাহে লাহে ৰাজ্যখনত উদ্যোগীকৰণৰ পৰিৱেশ গঢ় লৈ উঠাত সেইসমূহ যুৱক-যুৱতীয়ে অসমলৈ পুনৰ ঘূৰি আহি স্বগৃহৰ কাষতে কৰ্মসংস্থাপন পাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছত অসমত প্ৰায় ৪০ হাজাৰ কোটি টকা বিনিয়োগেৰে কেইবাটাও উদ্যোগ স্থাপনৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল আৰু লাহে লাহে সেই বুজাবুজি চুক্তি অনুসৰি অসমত উদ্যোগ স্থাপনৰ ব্যৱস্থা কাৰ্যকৰী হ'বলৈ ধৰিছে। জেৰিকোৰ সৈতে দুবছৰ আগতে এই উদ্যোগটো স্থাপনৰ বাবে বুজাবুজিৰ স্বাক্ষৰ কৰা হৈছিল। অতি কম সময়ৰ ভিতৰত এই প্ৰতিষ্ঠানটোৱে উৎপাদনৰ পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হৈছে। এডভান্টেছ আছাম ২.০ৰ আৰম্ভণিতে টাটা ইলেক্ট্ৰ'নিকছৰ ছেমিকণ্ডাক্টৰ, জেৰিকোৰ ফুডছ আৰু বিভাৰেজ আদিকে ধৰি কেইবাটাও উদ্যোগ ৰাজ্যখনলৈ অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কেইদিনমান আগতে ইনফ'ছিছে অসমত এটা কেন্দ্ৰ স্থাপনৰ লগতে ৰুৱেল প্ৰডাক্টছ নামৰ উদ্যোগটোৱে বিপিঅ' স্থাপন কৰিছে। যোৱা কেইদিনমানত ৰাজ্যখনত ঔদ্যোগিক আৰু বৃহৎ বৃহৎ প্ৰতিষ্ঠানসমূহ আহিবলৈ আৰম্ভ কৰিছে। বিগত দিনবিলাকত বহু চেষ্টাৰ পিছতো অসমত বিপিঅ' তথা আইটি ডেভেলপমেন্ট চেণ্টাৰ আদি আৰম্ভ কৰিব পৰা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে সেই দিশতো আজি ৰাজ্য চৰকাৰে কাম আৰম্ভ কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অসমত অনুষ্ঠিত হ'বলগীয়া এডভান্টেজ আছাম ২.০ৰ জৰিয়তে ১ লাখ কোটি টকাতকৈও অধিক পুঁজিৰ বিনিয়োগ অসমলৈ অহাটো নিশ্চিত আৰু এই দিশত কাম কৰি থকা হৈছে। এই সন্মিলনত ৰিলায়েঞ্চ গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানি, টাটা ছন্সৰ অধ্যক্ষকে ধৰি ভাৰতৰ বৃহৎ বৃহৎ ঔদ্যোগিক প্ৰতিষ্ঠানৰ মুখ্য ব্যক্তিসকল অসমলৈ এটা মুকলি মন লৈ আহি প্ৰথমবাৰৰ বাবে তেওঁলোকে ব্যক্তিগত বিনিয়োগ ঘোষণা কৰিব পাৰে বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়। অসমত উদ্যোগ স্থাপনৰ বাবে যদি এটা সুন্দৰ পৰিৱেশ গঢ়ি তুলিব পৰা যায় তেন্তে ব্যক্তিগত কোম্পানীসমূহৰ অসমলৈ অহাৰ যি যাত্ৰা আৰম্ভ হ'ব সেই যাত্ৰাই ৰাজ্যখনক অৰ্থনৈতিকভাৱে বহু ওপৰলৈ লৈ যাব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আজি আৰম্ভ হোৱা এই প্ৰকল্পৰ সম্প্ৰসাৰণৰ ফলত ভৱিষ্যতে ইয়াত আৰু অধিক যুৱক-যুৱতী সংস্থাপিত হোৱাৰ আশা কৰা হৈছে। কেম্পা কোলাৰ এই যাত্ৰাত সকলোকে সহযোগ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনায়। শীতল পানীয়ৰ বজাৰখনত একমাত্ৰ পেপচি আৰু কোকাকোলাৰ আধিপত্য আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতৰ নিজা ব্ৰেণ্ড কেম্পা কোলাৰ সৈতে ৰিলায়েঞ্চে সহযোগ কৰাৰ ফলত ইয়াৰ আকৰ্ষণ বৃদ্ধি পাইছে। কেম্পা কোলাৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ই অন্য শীতল পানীয়তকৈ আধা মূল্যত উপলব্ধ হোৱাৰ বাবে সকলোৰে বাবে সহজলভ্য হ'ব আৰু ভাৰতীয় ব্ৰেণ্ডে গ্ল'বেল ব্ৰেণ্ডৰ লগত শীতল পানীয়ৰ প্ৰতিযোগিতামূলক বজাৰখনত সমানে সমানে আগবাঢ়ি যাব পাৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেম্পা কোলাৰ এই যাত্ৰাক অধিক গতিশীল আৰু সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। উক্ত এই অনুষ্ঠানত বিধায়ক দিগন্ত কলিতা, ৰিলায়েঞ্চ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া কেটন মোদী, জেৰিকো প্ৰতিষ্ঠানৰ প্ৰম'টাৰ শ্বেতা আগৰৱালা, সুৰেশ আগৰৱালা প্ৰমুখ্যে দুয়োটা প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# এডভান্টেজ আছাম ২.০ক লৈ

কেন্দ্ৰীয় মন্ত্ৰী পীযূষ গোৱেলে নেতৃত্ব দিব। সেইদৰে ভূটান আৰু ভাৰতৰ সহযোগিতাৰ ওপৰত হ'বলগীয়া ছেমিনাৰখনৰ ভূটানৰ কৃষিমন্ত্ৰীৰ নেতৃত্বত ৰচজনীয়া ভূটানৰ উচ্চস্তৰীয় প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া সৰুসজাই ক্ৰীড়া প্ৰকল্পত হ'বলগীয়া ঝুমুইৰ বিনন্দীয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পোনে পোনে খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰলৈ গৈ তাত আয়োজন কৰা এডভান্টেজ আছাম ২.০ৰ প্ৰদৰ্শনীলৈ আহিব আৰু ৪০ৰ পৰা ৪৫ মিনিট সময় প্ৰদৰ্শনীত কটাব। অসমৰ গৌৰৱ আৰু অসমৰ ভৱিষ্যতক লৈ দুটা প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। অসমৰ গৌৰৱ প্ৰদৰ্শনস্থলীত ৰাজ্যখনৰ মুগা, বাঁহকে ধৰি অসমৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন কৰা হ'ব। অসমৰ ভৱিষ্যৎ শীৰ্ষক প্ৰদৰ্শনীস্থলীৰ নুমলীগড় ৰিফাইনেৰী, ছেমিকণ্ডাক্টৰ উদ্যোগ, নামৰূপৰ সাৰ কাৰখানা, গুৱাহাটী বিমানবন্দৰ আদি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব। সংবাদ মেলখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে এই বিনিয়োগ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে ৫০ ৰাষ্ট্ৰদূতকে ধৰি উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল এটা অহা ২৩ ফেব্ৰুৱাৰীতে অসমত আহি উপস্থিত হ'ব। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ নেতৃত্বত আহিবলগীয়া এই উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলটো ২৩ ফেব্ৰুৱাৰীত কাজিৰঙাত উপস্থিত হ'ব। ২৪ ফেব্ৰুৱাৰীত তেওঁলোক গুৱাহাটীত উপস্থিত হৈ ঝুমুইৰ বিনন্দীয়া কাৰ্যসূচী উপভোগ কৰিব আৰু ২৫ ফেব্ৰুৱাৰীত এডভান্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰি সেইদিনাই নিশাৰ ভাগত নতুন দিল্লীলৈ উভতি যাব। আনহাতে ২৬ ফেব্ৰুৱাৰীৰ সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব। তেওঁ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ উদ্যোগ, নুমলীগড় ৰিফাইনেৰীত বাঁহৰ পৰা ইন্ধন প্ৰস্তুত কৰাকে ধৰি বিত্তীয় খণ্ডৰ ওপৰত বক্তব্য দিব। তদুপৰি এই সন্মিলনত থিমেটিক ছেছনো অনুষ্ঠিত হ'ব। এই থিমেটিক ছেছনত অংশীদাৰসকলৰ লগতে ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীক জড়িত কৰা হ'ব। আইআইটি, আইআইআইটি, ষ্টাৰ্টআপ, উদ্যোগীসকলক জড়িত কৰা হ'ব। কৃষি, পশুপালন আদি খণ্ডৰ ওপৰত থিমেটিক ছেছন অনুষ্ঠিত হ'ব। কোন কোন খণ্ডত অসমত ভৱিষ্যতে উদ্যোগ হ'ব পাৰে, সেই সম্পৰ্কত আলোচনা হ'ব। স্বাস্থ্যখণ্ড, শিক্ষাখণ্ডৰ বাবেও ছেমিনাৰ অনুষ্ঠিত হ'ব। এই সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে এতিয়ালৈ ১৮, ৫৭৫জনে পঞ্জীয়নৰ বাবে আবেদন কৰিছে আৰু ইয়াৰে ১৫ হাজাৰজনৰ পঞ্জীয়ন অনুমোদন কৰা হৈছে। বৰ্তমানলৈকে ১, ৫১২খন MoU আবেদন আহিছে। অসমৰ ক্ষুদ্ৰ উদ্যোগীৰ ১২, ০০০ কোটি টকাৰ MoU আবেদন আহিছে। ১, ৫১৭খন ৰাজ্যৰ বাহিৰৰ পৰা MoU আহিছে।' তেওঁ কয়, '২৩ ফেব্ৰুৱাৰীৰ কেবিনেটত সিদ্ধান্ত লোৱা হ'ব MoU সন্দৰ্ভত। ২৭, ২৮ ফেব্ৰুৱাৰী আৰু ১ মাৰ্চত সাধাৰণ ৰাইজে চাব পাৰিব প্ৰদৰ্শনী।' মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ছিংগাপুৰ, দক্ষিণ কোৰিয়া, থাইলেণ্ড আৰু জাপানৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল এটা লৈ এই সন্মিলনত উপস্থিত থাকিব। মালয়েছিয়ায়ো বৃহৎ ব্যৱসায়ীৰ দল লৈ এই সন্মিলনত অংশগ্ৰহণৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতে, এই সন্মিলনত এক লাখ কোটি টকাতকৈও অধিক বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিনিয়োগ সন্মিলনখন সফল কৰাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা আৰু সহযোগিতা অব্যাহত ৰাখিছে।

## মিৰ্জাত অগপৰ কামৰূপ জিলাৰ

কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি পলাশবাৰী অগপৰ নেতা তথা দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ডাঃ কমলাকান্ত কলিতাই এই মন্তব্য কৰে। দলৰ জিলা সভাপতি খগেন নাথৰ সভাপতিত্বত হোৱা গুৰুত্বপূৰ্ণ সভাখনত ডাঃ কলিতাই দলৰ নিষ্ঠাবান কৰ্মীসকলে জিলাখনত দলৰ হৃত মৰ্যাদা পুনৰুদ্ধাৰৰ ক্ষেত্ৰত যথেষ্ট কৰিবলগীয়া কৰ্তব্য আছে বুলিও মন্তব্য কৰে। আনহাতে, সভাখনত অংশগ্ৰহণ কৰি কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই প্ৰতিগৰাকী অসমীয়া মানুহৰ শৰীৰত অগপৰ তেজ বৰ্তমানো প্ৰবহমান হৈ আছে বুলি কয়। আগন্তুক নিৰ্বাচনত দলৰ তৃণমূলৰপৰা নেতৃত্বলৈ প্ৰতিগৰাকী কৰ্মীয়ে নিষ্ঠাৰে কাম কৰিব বুলিও তেওঁৰ গভীৰ বিশ্বাস। জিলাখনৰ ছয়টা বিধানসভা সমষ্টিৰপৰা অহা দুই শতাধিক কৰ্মীৰ উপস্থিতিত হোৱা সভাখনত বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস, জিলাৰ সম্পাদকদ্বয় পৰমেশ্বৰ বৰ্মন আৰু শুভৰাম দাস প্ৰমুখ্যে বহুকেইজন দায়িত্বশীল নেতা-কৰ্মীয়ে অগপই আজীৱন জাতীয় দায়বদ্ধতাৰ দিশটোক অগ্ৰাধিকাৰ দি অহাৰ কথাটো প্ৰতিগৰাকী স্বাভিমানী অসমীয়াই ভালদৰে জানে বুলি মন্তব্য কৰে।

## অৱশেষত উমৰাংছুৰ কয়লাখনিৰ

সন্ধানত অভিযান অব্যাহত ৰাখিছিল। কিন্তু কয়লাখনিৰ গভীৰতাত সময়ে সময়ে পানীৰ স্তৰ বৃদ্ধি পোৱাৰ উপৰি বিভিন্ন ধৰণৰ অনাকাংক্ষিত সমস্যাৰ ফলত উদ্ধাৰ অভিযান বাধাগ্ৰস্ত হৈ পৰিছিল। অৱশ্যে অত্যাধুনিকপাম্পৰ জৰিয়তে কোৱেৰীৰ পৰা পানী নিষ্কাশন কৰি নিৰৱচ্ছিন্নভাৱে অভিযান চলাই আহিছিল উদ্ধাৰকাৰী দলে। ইফালে বুধবাৰে প্ৰতিকূল বতৰৰ বাবে উদ্ধাৰ অভিযান কিছু সময় স্থবিৰ হয় যদিও পাছত কোৱেৰীৰ ভিতৰত পানীৰ স্তৰ কমি যোৱাৰ ফলত উৰলি যোৱা মৃতদেহকেইটা অভিযানকাৰী দলে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে ডিমা হাছাও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে মৃতদেহকেইটাৰ প্ৰকৃত পৰিচয় উদ্ধাৰ কৰাৰ বাবে উক্ত কোৱেৰীত আবদ্ধ হোৱা শ্ৰমিকসকলৰ পৰিয়াল তথা আত্মীয়লৈ বাৰ্তা প্ৰেৰণ কৰিছে। বুধবাৰে ৫ গৰাকী সন্ধানহীন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "উমৰাংছু'ৰ কয়লা খনিৰ পানী নিষ্কাশন প্ৰক্ৰিয়া উদ্ধাৰ অভিযান আৰম্ভ কৰিব পৰাকৈ আজি সম্পন্ন কৰা হৈছিল। আজি ৫ গৰাকী বনুৱাৰ মৃতদেহ উদ্ধাৰ কৰি খনিৰ খাদৰ পৰা উলিয়াই অনা হৈছে। মৃতদেহকেইটিৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে।"

## বিধানসভাত বিৰোধীয়ে ঋণ লৈ

প্ৰদান কৰিলে। ঋণৰ কথাত বিধায়ক অখিল গগৈয়ে ন্যাৰ্যতা প্ৰদান কৰাৰ বাবে মন্ত্ৰী পীযূষ হাজৰিকাই তেওঁক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ পৰা এই ঋণৰ বিষয়ত বিধায়কজনে মানুহক যাতে বিপথে পৰিচালিত কৰিবলৈ চেষ্টা নকৰে তাৰ বাবে বিধায়ক অখিল গগৈক বিধানসভাৰ অধ্যক্ষৰ জৰিয়তে মন্ত্ৰী পীযূষ হাজৰিকাই অনুৰোধ জনায়। মন্ত্ৰী পীযূষ হাজৰীকাই বিধায়কজনৰ সমষ্টিত যথেষ্ট কাম কৰাৰ কথা উল্লেখ কৰে। যাৰ বাবে অখিল গগৈয় মন্ত্ৰীগৰাকীক ধন্যবাদ দিয়া বুলিও কয়। মন্ত্ৰী পীযূষ হাজৰিকাই শিৱসাগৰ সমষ্টিত এডিবিত প্ৰথম পৰ্যায়ত ৩৪৮ কোটি টকাৰ কাম কৰিবলৈ প্ৰচেষ্টা চলাই থকা বুলি জানিবলৈ দিয়ে। অহা ডিচেম্বৰ মাহৰ ভিতৰত সেইখিনি কাম আৰম্ভ কৰিবলৈ সক্ষম হ'ব বুলি কয়। আনহাতে, এডিবিৰ দ্বিতীয় পৰ্যায়ৰ যাতে কাম কৰিব পাৰে, তাৰ বাবে প্ৰত্যেক ১৫ দিনৰ পাছত ফ্ৰেমাৰ অফিচত বৈঠক অনুষ্ঠিত কৰাৰ বিষয়েও জানিবলৈ দিয়ে। মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে যিমানকেইখন জিলাত এডিবিৰ কাম চলি আছে তাৰ অভিযন্তা, ঠিকাদাৰৰ সৈতে বৈঠক কৰে। এডিবিৰ ৬৫০ কোটি টকা যদি আমি এই বছৰ কৰিব পাৰোঁ, তেতিয়া আমি দ্বিতীয় ফেজৰ টকা পাম। দ্বিতীয় ফেজত এডিবি আৰু বিশ্ব বেংকৰ প্ৰায় ২ হাজাৰৰ পৰা ২, ১০০ কোটি টকাৰ কাম অহা বিত্তীয় বৰ্ষত কৰিবলৈ সক্ষম হ'ম। সেয়ে আমি অতি তৎপৰতাৰে ১৫ দিনৰ পিছে পিছে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰোঁ। এডিবি-বিশ্ব বেংকৰ ইছ্যুটো হ'ল যে অৰ্ডাৰ দিলে নহ'ব। ঠিকাদাৰে পেমেন্ট পাব লাগিব। তেতিয়াহে তেওঁলোকে পৰৱৰ্তী পৰ্যায়ৰ কাম অনুমোদন দিয়ে। এডিবিৰ ৬৫০ কোটি টকাৰ কাম যদি এই বছৰ কৰিবলৈ সক্ষম হয়, তেন্তে অহা বছৰ প্ৰায় ১২শ কোটি, ১৩শ কোটি টকাৰ কাম কৰিবলৈ সক্ষম হ'ব। ইয়াৰ বাবে তীব্ৰতাৰে প্ৰচেষ্টা চলাই থকা হৈছে। এই প্ৰচেষ্টাত যদি সক্ষম হওঁ তেতিয়াহ'লে শিৱসাগৰ জিলাত ৪৪৮ কোট টকা, গোলাঘাটত ৪৬৩ কোটি টকা, যোৰহাটত ৪৪৪ কোটি টকা, ধেমাজিত ৩৭৯ কোটি টকা মুঠ ১, ৬৪২ কোটি টকা এই বছৰ আমি ল'বলৈকে সক্ষম হ'ম। আৰু যদি সক্ষম হওঁ নৱেম্বৰ বা ডিচেম্বৰত তাৰ কাম আৰম্ভ হ'ব। ঠিক তেনেকৈ বিশ্ব বেংকৰো কামৰ প্ৰক্ৰিয়া চলাই থকা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বিশ্ব বেংকৰ পৰাও প্ৰায় ৫০০ কোটি টকা পাব বুলি কয়। যদি কামখিনিত সফল হয় অহা বছৰ বিশ্ব বেংক এডিবিৰ প্ৰায় ২২ কোটি টকাৰ কাম কৰিবলৈ সক্ষম হ'ব বুলি সদনত জানিবলৈ দিয়ে।

## দেশৰ নিৰ্বাচন আয়োগৰ

"ড° বিবেক যোশীক নিজৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰ পৰা কাৰ্যকৰী হোৱাকৈ ভাৰতৰ নিৰ্বাচন আয়োগত নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। বিবেক যোশী হাৰিয়ানা কেডাৰৰ ১৯৮৯ বেচৰ আই এ এছ বিষয়া। নিৰ্বাচন সমিতিৰ বৈঠকৰ কেইঘণ্টামানৰ পিছতে এই নিযুক্তি দিয়া হয় । বৰ্তমানৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ অৱসৰৰ পিছত দায়িত্ব ল'ব জ্ঞানেশ কুমাৰে । ১৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিব ৰাজীৱ কুমাৰে। ৰাজীৱ কুমাৰে ২০২০ চনৰ ১ ছেপ্টেম্বৰত ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্বাচন আয়ুক্ত হিচাপে যোগদান কৰিছিল আৰু ১৫ মে'ত ভাৰতৰ ২৫ সংখ্যক মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। বিদায়ী ভাষণত ৰাজীৱ কুমাৰে গণতান্ত্ৰিক মূল্যবোধ ৰক্ষাৰ ক্ষেত্ৰত এক কোটি ৫০ লাখ ভোটগ্ৰহণ বিষয়াক ধন্যবাদ জ্ঞাপন কৰে । উল্লেখ কৰা প্ৰয়োজন যে, মুখ্য নিবাৰ্চন আয়ুক্ত নিৰ্বাচনৰ বাবে নতুনকৈ প্ৰণয়ন কৰা আইনৰ ভিত্তিত নিৰ্বাচন কৰা জ্ঞানেশ কুমাৰ হৈছে প্ৰথমগৰাকী নিৰ্বাচন আয়ুক্ত। নতুনকৈ প্ৰণয়ন কৰা এই আইনখনত মুখ্য নিৰ্বাচন আয়ুক্ত নিৰ্বাচনী মণ্ডলীত পূৰ্বৰ দেশৰ মুখ্য ন্যায়াধীশৰ পৰিৱৰ্তে চামিল কৰা হৈছিল গৃহমন্ত্ৰীক। অৰ্থাৎ এইবাৰ মুখ্য নিৰ্বাচন আয়ুক্ত বাচনিত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছে। এই নিৰ্বাচনী মণ্ডলীত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ লগতে আছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগতে বিৰোধী দলপতি ৰাহুল গান্ধীও। ১৭ফেব্ৰুৱাৰী, ২০২৫ত হোৱা বৈঠকত জ্ঞানেশ কুমাৰকে নিৰ্বাচনী মণ্ডলীয়ে চূড়ান্ত কৰে আৰু ৰাষ্ট্ৰপতিলৈ প্ৰস্তাৱ প্ৰেৰণ কৰে।

## দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে

শপতবাক্য পাঠ কৰোৱাৰ পিছত বিজেপিৰ জ্যেষ্ঠ নেতা পাৰভেশ সিং বাৰ্মাসহ ৬ বিধায়কক কেবিনেট মন্ত্ৰীৰ শপতবাক্য পাঠ কৰোৱায়। কেবিনেট মন্ত্ৰী হিচাপে শপত লোৱা আন ৫ বিধায়ক হৈছে- প্ৰাক্তন আপৰ নেতা কপিল মিশ্ৰ, মজিন্দৰ ছিৰছা, আশিস সুদ, পংকজ কুমাৰ সিং আৰু ৰবীন্দ্ৰৰ ইন্দজ সিং। ইপিনে বিজেপিৰ প্ৰাক্তন বিৰোধী দলপতি বিজেন্দ্ৰৰ গুপ্তাক দিল্লী বিধানসভাৰ নতুন অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰিছে। ২৭ বছৰৰ মূৰকত দিল্লীত বিজেপি চৰকাৰ গঠন হোৱাৰ পাছত মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই সাংবাদিকৰ আগত কয় যে সম্পূৰ্ণ সততা, সংহতি আৰু উৎসৰ্গাৰে প্ৰতিগৰাকী দিল্লীবাসীৰ কল্যাণ, সবলীকৰণ আৰু বিকাশত গুৰুত্ব দিয়া হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ শীৰ্ষ নেতৃত্বই তেওঁৰ ওপৰত আস্থা ৰাখি দিয়া দায়িত্বৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই শপতগ্ৰহণ অনুষ্ঠানত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুও উপস্থিত থাকে।

## ৰকিবুল হুছেইনৰ ওপৰত

ঘটনাক কেন্দ্ৰ কৰি লাওখোৱা-নলতলী ৰাজ্যিক ঘাইপথত তীব্ৰ উত্তেজনাময় পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ লগতে সাংসদজনৰ নিৰাপত্তাৰক্ষীয়ে শূন্যলৈ গুলীচালনা কৰে বুলি জানিব পৰা গৈছে। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত দীৰ্ঘসময় ধৰি উত্তেজনাই বিৰাজ কৰে। ঘটনা ইমানেই ভয়ংকৰ হৈ উঠে যে ওচৰৰ সভাস্থলীৰ পৰা কংগ্ৰেছ কৰ্মী আহি দুচকীয়া বাহনেৰে পুত্ৰসহ সাংসদ ৰকিবুল হুছেইনক উদ্ধাৰ কৰি লৈ যায়। ইফালে ইয়াৰ পিছতে পুঠিখাইতীত অনুষ্ঠিত সভাত উপস্থিত হৈ সাংসদজনে এই ঘটনাক লৈ আক্ৰমণাত্মক হৈ উঠে। সাংবাদিকৰ আগত তেওঁ ক্ষোভ উজাৰি কয় যে এনে ঘটনাৰ উমান পাই নগাঁও জিলা আৰক্ষী অধীক্ষক আৰু ৰূপহীহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক অৱগত কৰা হৈছিল যদিও কোনো ব্যৱস্থা নল'লে। ইয়াৰ বাবে আৰক্ষী অধীক্ষকক তাৎক্ষণিকভাৱে নিলম্বিত কৰক, স্থানীয় থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক নিলম্বিত কৰক। তদুপৰি সাংসদগৰাকীয়ে চোৰাংচোৱা সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ তোলে। সাংবাদিকৰ প্ৰশ্ন উত্তৰত তেওঁ কয় যে এই ঘটনাত কোন কোন জড়িত হৈ আছে সেয়া সকলোৱে জানে।

## নিউজিলেণ্ডৰ বিৰুদ্ধে

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও অ'পেনাৰ উইল ইয়ং আৰু ট'ম লাথামৰ দুৰ্দান্ত শতকৰ সহায়ত নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩২০ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ৭৩ ৰানতে তিনিটাকৈ উইকেট হেৰুৱাই দলটোৱে বিপদত পৰিছিল যদিও ইয়ং আৰু লাথামে চতুৰ্থ উইকেটত ১১৮ ৰান কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। ইয়ঙে ১১৩টা বলত ১০৭ ৰান কৰি বিদায় লয় যদিও লাথামে ১০৪টা বলত ১১৮ ৰান কৰি অপৰাজিত হৈ থাকে। গ্লেন ফিলিপছে ৩৯টা বলত ৬১ ৰানৰ দৰ্শনীয় ইনিংছ খেলে। ডেভ'ন ক'নৱেই ১০, উইলিয়ামছনে ১ আৰু ডাৰিল মিচেলে ১০ ৰানহে কৰে। পাকিস্তানৰ হৈ নাছিম শ্বাহ আৰু হৰিশ ৰৌফ উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰে।

## ভাৰত-ভূটান সীমান্তবৰ্তী

প্ৰতিশ্ৰুতি দিছিল আৰু সেয়েহে আজি ভূটান সীমান্তলৈ নিৰ্মাণ হ'বলগীয়া সৰলপাৰা পথটো পৰিদৰ্শন কৰে। ৩৫ কিঃমিঃ দৈৰ্ঘ্যৰ বিষমুৰী-সৰলপাৰা গড়কাপ্তানী পথটো অতি সোনকালে নিৰ্মাণ কৰা হ'ব আৰু এই পথটো অত্যাধুনিক FULL DEPTH RECLAMATION (FDR) প্ৰযুক্তিৰে নিৰ্মাণ সম্পন্ন হ'ব, যাৰ নিৰ্ধাৰিত ব্যয় ২,৬৮৭.৮৬ লাখ টকা বুলি মন্তব্য কৰি উক্ত পথটি ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰাৰম্ভিক পৰ্যায়ত ধাৰ্য কৰা অনুদানতকৈ অধিক পৰিমাণৰ পুঁজি ধাৰ্য কৰি হ'লেও পথটি সৰ্বাংগসুন্দৰ ৰূপত নিৰ্মাণ কৰিম যাতে ভূটানৰ স'তে যোগাযোগ ব্যৱস্থা উন্নত হয় বুলি মত প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে।

## ৰাজীৱ ভৱনত ৰাজ্যিক

প্ৰিন্স বৰা। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত জীনছ বৰাক লগে লগে GMCHত ভৰ্তি কৰোৱা হৈছে। বন্ধ কোঠাত জীনছ বৰা উপৰ্যুপৰি প্ৰহাৰ কৰাৰ অভিযোগ দুই অভিযুক্তৰ বিৰুদ্ধে। ইফালে ঘটনা সন্দৰ্ভত অভিযুক্ত মিঠু আহমেদ আৰু প্ৰিন্সক আটক কৰিছে আৰক্ষীয়ে ইফালে মাৰপিটৰ ঘটনাৰ কথা স্বীকাৰ কৰিছে কংগ্ৰেছ নেতা প্ৰদ্যুৎ ভূএগ্ৰাই। যুৱ কংগ্ৰেছৰ নেতা মিঠু আহমেদ আৰু প্ৰিন্স বৰাই প্ৰহাৰ কৰাৰ কথা উল্লেখ। সমগ্ৰ ঘটনাৰ তদন্ত কৰা হ'ব বুলি মন্তব্য প্ৰদান কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। ঘটনা উচিত তদন্তৰ আহ্বান প্ৰিন্স বৰাৰ মাতৃৰ। তদন্তৰ বাবে ৰাজীৱ ভৱনলৈ যাব আৰক্ষী। ইফালে দুই আক্ৰমণকাৰী মিঠু আহমেদ আৰু প্ৰিন্স বৰাক আটক কৰি ভঙাগড় থানা সোধ-পোচ অব্যাহত ৰাখিছে আৰক্ষীয়ে।

ENGLISH NEWS SECTION

# Governor inaugurates Think India North East Summit 2025



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya inaugurated the 'Think India North East Summit 2025' at IIT Guwahati. Speaking on the occasion, Shri Acharya highlighted the importance of Northeast India in shaping the nation's future. He thanked Think India for organizing the conference and praised its continued focus on Northeast India, emphasizing the region's vital role in India's growth. Pointing out to North East's unique heritage, biodiversity, and youth energy as key drivers for the region's emergence as a hub of development and innovation in the country's Amrit Kaal, Shri Acharya called upon the youth of the region to take an active role in expediting the growth trajectory of the region. The Governor also exuded hope that the discussions at this summit will focus on innovation in education, sustainability in development, and new momentum in economic empowerment, which according to him will take the North East to a greater height. Shri Acharya further said that the government's commitment to infrastructure development, digital connectivity, and economic inclusivity are acting as a catalyst to fulfill the aspirations and enhancing the region's potential. He also lauded Northeast's rich historical and cultural legacy, which are adequately shaped by the valiance and heroics of Lachit Borphukan, Veer Chilarai etc.

## Education Minister briefs Governor on activities of Higher Education Department



Guwahati,RB News- A comprehensive briefing session on the initiatives of the Higher Education Department of Assam was held at Raj Bhavan today, where Education Minister Dr. Ranoj Pegu briefed Governor Shri Lakshman Prasad Acharya on the department's ongoing projects, policies, and future roadmap.The Governor on being briefed on the higher education department, expressed his satisfaction on the activities of the department and its roadmap for making Assam a sought after place for higher education. He also said that considering the pivotal role of education in shaping the society towards excellence, he asked the department to strengthen the ecosystem so that the State can be transformed into a hub of higher education. He also said that in view of the State's development in various sectors, a corresponding development in higher education can be a catalyst to state's human resource development.The Governor further remarked that the National Education Policy 2020 is a groundbreaking initiative by the Government of India, designed to revolutionize the education landscape. He, therefore, asked the Higher Education Department to foresee that the policy is implemented in letter and spirit across the state.  He, in this context called for concerted efforts from all stakeholders, encouraging innovation and strategic planning to achieve excellence in every aspect of higher education.

## Protest Demonstration by Dibrugarh District Congress Committee Against the Attack on MP Rakibul Hussain



Guwahati,RB News- Condemning the attack on Dhubri MP Rakibul Hussain, who was assaulted by miscreants in broad daylight on the streets of Rupohihat in Nagaon district, Congress workers staged a protest demonstration in front of Rajiv Bhavan in Dibrugarh. The protest demonstration was attended by Pradesh Congress Committee Vice President Mehdi Alam Bora, former Minister Atuwa Munda, Dibrugarh District Congress Committee President Dev Ranjan Gogoi, APC spokesperson Neelanetra Neog, Bijit Handique, District Mahila Congress President Kavita Konwar, Tingkhong Block Congress President Sujit Ligira, Dibrugarh Block Congress President Jiten Baruah, Minority Department Chairman Firoz Hussain, District Congress Committee General Secretaries Baharul Islam, Paranjyoti Gogoi, Bitopan Boraik, Karn Bahadur Chetri, and several senior Congress leaders.

## Kerala reach maiden Ranji Trophy final



RB News- Sachin Baby-led Kerala made history by reaching their first-ever Ranji Trophy final. Their match against Gujarat ended in a draw, with Kerala securing a narrow 2-run first-innings lead. Gujarat, needing 28 runs with seven wickets down, saw Aditya Sarwate dismiss Jaymeet Patel (79). Sarwate later trapped Siddharth Desai (30) LBW, ending a 10-run stand with Arzan Nagwaswalla.

## MI beat RCB by four wickets



RB News- Mumbai Indians(MI) to a thrilling four-wicket win over Royal Challengers Bengaluru (RCB)in a Women's Premier League match in Bengaluru on Friday.  Ellyse Perry's 81(43) helped RCB post a 168-run target, but Harmanpreet Kaur's 38-ball 50 propelled MI to a four-wicket victory in 19.5 overs. With the result, RCB stayed at the top of the WPL 2025 points table, while MI climbed to second place.

## South Africa defeated Afghanistan by 107 runs



RB News- South Africa defeated Afghanistan by 107 runs in their Champions Trophy match. The Temba Bavuma-led side dismissed Afghanistan for 208 runs after setting a target of 316 runs. South Africa ended their five-match losing streak in ODIs with the win. Ryan Rickelton was the highest scorer for South Africa, making 103 runs off 106 deliveries.

# প্ৰেমঃ আসুৰিক সমাজৰ তিক্ত অনুভৱ

শতাব্দী শৰ্মা,
আমোলাপট্ৰী, নগাঁও



প্ৰেম এক স্বৰ্গীয় অনুভূতি। প্ৰেমে পৃথিৱীৰ সৰ্ব্বোচ্চ সীমাত অৱস্থান কৰে। আজিৰ প্ৰজন্মৰ যুৱক - যুৱতীসকলে প্ৰেমৰ দিৱস পালন কৰে। কিন্তু অতীতত এনে কোনো দিৱসৰ কথা নাছিল। তেতিয়াৰ প্ৰেমত ইমানেই মাহাত্ম্য আছিল যে পুৰণি দিনৰ প্ৰেম কাহিনীয়ে মানুহৰ মন আজিও আকৰ্ষণ কৰে। এইবোৰ আৰ্হি আৰু আদৰ্শৰ ভেঁটিত যুগে যুগে প্ৰেমক পূজা কৰা হয়। প্ৰেম শাৰীৰিক আকৰ্ষণ নহয়, এইয়া আত্মিক ভাৱাবেগৰ এক উৎস। প্ৰেম কোনো ধেমালি নহয়। কিন্তু আজিৰ যুগত প্ৰেম যেন হিংসা সৃষ্টিৰ এক আহিলা। ভালপোৱাৰ প্ৰতাৰণা অধিক। আজিৰ ভালপোৱাত পৱিত্ৰতা নাই। প্ৰেমত অন্ধ হৈ যিকোনো বেয়া কামত নামি পৰে বহুজন। প্ৰেমৰ নামত কিছুমান নিষিদ্ধ কৰ্ম কৰিবলৈও কুণ্ঠাবোধ নকৰে আজিৰ প্ৰজন্মই। নিজক বিক্ৰী কৰি প্ৰেমৰ বান্ধোনেৰে বান্ধ খাবলৈ যাওঁতে বহুখিনি হেৰুৱাই পেলাইছে কিছু- সংখ্যক মানুহে। পুৰণি আখ্যানৰ প্ৰেম আৰু এতিয়া পাবলৈ দুৰ্লভ। টকা - সম্পত্তিৰ বাবে মানুহে প্ৰেমত পৰে। প্ৰেম প্ৰত্যাখ্যান কৰিলে এচিড আক্ৰমণ, হত্যা, যৌন নিৰ্যাতনৰ দৰে খবৰ বাতৰি কাকতত প্ৰকাশিত হয়। প্ৰেম বিবাহ হ'লেও অলপ কথাতে দম্পতীৰ মাজত বিভেদ আহে, মতানৈক্যই পিছৰ পৰ্যায়ত জীৱনত বেয়া প্ৰভাৱ পেলায়। প্ৰেম প্ৰাপ্তি, প্ৰেম সৃষ্টি, প্ৰেম আশাৰ ঠিকনা। প্ৰেম হিংসা - প্ৰতিহিংসাৰ অৱলোকন নহয়, ই এক শান্ত সৌম্য পৰিস্থিতিৰ সুস্থ সম্পৰ্ক। য'ত দুটি আত্মাৰ মিলনৰ কথা জড়িত হৈ থাকে। প্ৰেমৰ দিৱস পাতি হিচাপ বিহীন জাকজমকতা বঢ়াই মানুহৰ আগত বিশেষ দেখুৱাতকৈ যদি নিজৰ মাজতে নিজক গুৰুত্ব দি আগবাঢ়ি যায়, তেন্তে সম্পৰ্কবোৰ স্থিৰ আৰু কটকটীয়া হয়। প্ৰেমৰ দিৱসৰ দিনা মিছা প্ৰতিশ্ৰুতি আৰু উপহাৰৰ মাধ্যমেৰে এজনে আনজনক শুভেচ্ছা জ্ঞাপন কৰাতকৈ গোটেই জীৱন ছাঁ হৈ থাকি পৰিস্থিতি বুজি নিজস্ব দৰ্শন আৰু ধ্যান - ধাৰণা স্পষ্ট কৰি ৰাখি আগুৱালে প্ৰেমৰ নামত কোনো ক্ষেত্ৰতে অনৈতিকতা নচলে কোনো সম্পৰ্কত। প্ৰেমৰ বান্ধোনেৰে বান্ধ খাওঁতে এজনে আনজনৰ ভাল - বেয়া বিচাৰ কৰিব শিকিলে তেতিয়া কৃত্ৰিমতা হ্ৰাস হয়। "দেখাক দেখি কুকুৰে কৰে একাদশী" ধৰণৰ নোহোৱাটো ভাল। প্ৰেমৰ তাৎপৰ্য বিচাৰি পোৱা সম্পৰ্কৰ সুগন্ধই পৃথিৱী ধুনীয়া কৰে। এজনে আনজনৰ সফলতাত উৎসাহিত কৰি, বিশ্বাস আৰু অলপ বুজা - বুজিৰে চলিলেই সকলোতে বিৰাজমান হৈ প্ৰস্ফুটিত হ'ব প্ৰকৃত প্ৰেমৰ শতদল।






ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বঁমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286